
# অন্বেষণ

নৱম বছৰ ■ চতুৰ্থ সংখ্যা ■ মে', ২০২২



## মে' দিৱস

## মানুহৰ ইতিহাস- জুই



## শৰণাৰ্থীৰ সমস্যা

## ভৌগোলিক স্বীকৃতি পোৱা উত্তৰ-পূব ভাৰতৰ কেইবিধমান সামগ্ৰী



দাৰ্জিলিং চাহ



লিচু




জুডিমা



কাজি নেমু



আদা



চকোৱা চাউল

# অন্বেষণ

**নৱম বছৰ, চতুৰ্থ সংখ্যা, মে’ ২০২২ চন**

**অন্বেষণ**, অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ দ্বাৰা প্ৰকাশিত সাধাৰণ জ্ঞান-ভিত্তিক এখন মাহেকীয়া আলোচনী

**ANWESHAN**, A Monthly inhouse journal of Assam Jatiya Bidyalay,
Published by Assam Jatiya Bidyalay Educational and Socio-Economic Trust
Email : assamjatiyabidyalay@gmail.com
Website : assamjatiyabidyalay.com


## সূচীপত্ৰ


২ **মে’ দিৱসৰ তাৎপৰ্য্য**
■ অভিজিত শৰ্মা বৰুৱা
৫ **দেশ-বিদেশৰ খবৰ**
■ কুশল গোস্বামী
৮ **খবৰৰ লেছেৰি বোটলা**
■ কুশল গোস্বামী
৯ **জি আই টেগ বা ভৌগোলিক স্বীকৃতি**
■ অপৰ্ণা দেৱী
১০ **আমেৰিকাৰ ৰাষ্ট্ৰপতি ৰুজভেল্ট আৰু এটা পুতলা**
■ পল্লবী গোস্বামী
১১ **Did You Know**
■ Dolly Choudhury
১২ **Silas Marner**
■ Pallavi Dutta
১৩ **মৃত্যুঞ্জয়**
■ আনতাৰা মুবাছ্ছিৰা হক খন্দকাৰ
১৪ **অলিম্পিকত ক্ৰিকেট**
■ বিশাল চৌধুৰী
১৫ **জৈৱিক যুদ্ধ**
■ আদিত্য কাশ্যপ
১৬ **‘চামদ্ৰূপ জংখাৰ’—এক সুন্দৰ অভিজ্ঞতা**
■ নিনাদ নৈঋত প্ৰকাশ
১৮ **ম’বাইল**
■ বিমান কলিতা
১৮ **I Will Rise Again**
■ Madhusmita Doley
১৮ **হে শ্বহীদ প্ৰণামো তোমাক**
■ কংকণা ডেকা
১৯ **ৰমেন আৰু পৰেশ**
■ বৰষা পাঠক
১৯ **Ziro**
■ Nimisha Kalita
২০ **চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা**
২৬ **চুড’কু**
২৭ **এখন বেছবল খেল আৰু এজন ঔপন্যাসিক**
■ জ্যোতিৰূপা দাস
২৮ **শৰণাৰ্থীৰ সমস্যা**
■ প্ৰীতিলতা পাটগিৰি
৩০ **কুইজ**
■ হিৰণ্য কলিতা
৩১ **ৰাহিবাই সোমা পপেৰে**
■ উৎপলা বৰা
৩২ **ডুবাই মিৰাকল গাৰ্ডেন**
■ ছায়াস্মিতা বৈশ্য
৩৩ **মানৱৰ ইতিহাস : জুই**
■ অসীম কৃষ্ণ বৰুৱা
৩৫ **শামুক, গৰু আৰু হাঙৰৰ ব্যতিক্ৰমী দাঁত**
■ সুনিতা বৰুৱা
৩৬ **মানসিক সামৰ্থ্য বিকাশ**
■ ৰবীন্দ্ৰ বৰ্মন
৩৮ **চি ইউ ই টি পৰীক্ষা**
■ জোনালী দেৱী
৩৯ **সেউজীয়া ভেঁকুৰ ধৰা নেমুটেঙাডোখৰ আৰু খমলা বন্ধা দৈ**
■ ডা° দেৱজিত শৰ্মা



| | | |
|---|---|---|
| **সম্পাদক** | : | ডা° নাৰায়ণ শৰ্মা (অবৈতনিক) |
| **সহযোগী সম্পাদক** | : | পংকজ দত্ত |
| **উপ-সম্পাদক** | : | কুশল গোস্বামী, ড° লিপিমণি দত্ত, ডিম্পল তালুকদাৰ |
| **ব্যৱস্থাপনা** | : | দিলীপ কুমাৰ দত্ত চৌধুৰী (অবৈতনিক) |
| **বেটুপাত** | : | কুঞ্জৰ দাস |
| **আলোকচিত্ৰ** | : | জাহ্নৱী বৰুৱা |
| **ছবি** | : | পূৰবী ৰাণী বৰা |
| **ডিটিপি** | : | প্ৰশান্ত বৰঠাকুৰ |
| **আৰ্হি পাঠ** | : | কুলধৰ কলিতা |
| **মূল্য** | : | পঁচিছ টকা |

*অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰ দ্বাৰা প্ৰকাশিত, অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰণৱ শৰ্মাৰ দ্বাৰা মুদ্ৰিত।*

# মে’ দিৱসৰ তাৎপৰ্য্য

■ অভিজিত শৰ্মা বৰুৱা




প্ৰতি বছৰৰ ১ মে’ তাৰিখে মে’ দিৱস উদ্‌যাপন কৰা হয়। মে’ দিৱসক ‘আন্তৰ্জাতিক শ্ৰমিক দিৱস’ বা চমুকৈ ‘শ্ৰমিক দিৱস’ বুলিও জনা যায়। শ্ৰমিকসকলে নিজৰ প্ৰাপ্যৰ বাবে চলোৱা ঐতিহাসিক আন্দোলনৰ স্মৃতি সজীৱ কৰিবলৈ, বিশ্বৰ শ্ৰমিকসকলক ঐক্যবদ্ধ কৰি ৰাখিবলৈ আৰু শ্ৰমিকসকলৰ গুৰুত্ব আৰু সমস্যাৰ প্ৰতি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবৰ বাবে বিভিন্ন কাৰ্য্যসূচীৰে এই দিৱস পালন কৰা হয়। পৃথিৱীৰ প্ৰায় সকলো দেশতে ১ মে’ তাৰিখে এই শ্ৰমিক দিৱস পালন কৰা হ’লেও আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু কানাডাত ছেপ্টেম্বৰৰ প্ৰথম সোমবাৰটোতহে ‘শ্ৰমিক দিৱস’ (Labor Day) উদ্‌যাপন কৰা হয়।

### সেই তাহানিৰে পৰা মে’ দিৱস

মে’ দিৱস প্ৰথমতে পাছে ‘শ্ৰমিক দিৱস’ হিচাপে উদ্‌যাপন কৰা হোৱা নাছিল। বহু আগৰে পৰা বিভিন্ন দেশত গ্ৰীষ্মকালিৰ আৰম্ভণি হিচাপে এই দিৱস পতা হৈছিল। এতিয়াও কিছু ইউৰোপীয় দেশত পৰম্পৰাগত বসন্ত উৎসৱ হিচাপে এই দিৱস উদ্‌যাপন কৰা হয়। তাত নাচ-গান অনুষ্ঠিত হয়, সুন্দৰ কেক তৈয়াৰ কৰা হয় আৰু লগতে ভোজ-ভাতো খোৱা হয়।

ফ্লৰেলিয়া হ’ল ৰোমানসকলৰ ফুলৰ দেৱী। তেওঁক বন্দনা কৰিবলৈ ৰোমান ৰিপাব্লিকৰ সময়ত ‘ফুলৰ উৎসৱ’ উদ্‌যাপন কৰা হৈছিল। ২৭ এপ্ৰিলৰ পৰা ৩ মে’লৈকে এই উৎসৱ অনুষ্ঠিত হৈছিল। খৃষ্টাব্দ দ্বিতীয় শতিকাৰ পৰা ৰোমান সাম্ৰাজ্যত প্ৰতি তিনি বছৰৰ মূৰে মূৰে মে’ মাহত ‘মেইঅউমা’ (maiouma) নামৰ এক উৎসৱ পতা হৈছিল। ৰোমান সম্ৰাট কমডাছৰ ৰাজত্বকালত এই উৎসৱ বেছ বিখ্যাত হৈ পৰিছিল। মে’ মাহৰ নামেৰে এই উৎসৱৰ নামকৰণ কৰা হৈছিল। ৮৭০ খৃষ্টাব্দৰ ১ মে’ত জাৰ্মানীৰ ‘ছেইণ্ট ৱালপুৰ্গা’ নামৰ এজন খৃষ্টান ধৰ্মগুৰুক সন্ত হিচাপে ঘোষণা কৰা হৈছিল। তেতিয়াৰ পৰা জাৰ্মানীতো এই উৎসৱ উদ্‌যাপিত কৰা হৈ আহিছিল। অষ্টাদশ শতিকাৰ পৰা কিছু ৰোমান কেথলিকেও ১ মে’ৰ দিনটো উৎসৱ হিচাপে উদ্‌যাপন কৰিবলৈ ল’লে। তেওঁলোকে সেইদিনা কুমাৰী মেৰীৰ প্ৰতিকৃতিত মুকুট পিন্ধায়। আধুনিক কালতো ইউৰোপ আৰু উত্তৰ আমেৰিকাত তেনে ধৰণৰ ধৰ্মীয় উৎসৱ হিচাপে ১ মে’ তাৰিখে বৰ্ণাঢ্য আয়োজন কৰা হৈছিল। তাতো কুমাৰী মেৰীক আৰু যীশুৰ পালক পিতৃ ছেণ্ট যোছেফক সন্মান জনোৱা হৈছিল। পোপ দ্বাদশ পায়াছে সেই উৎসৱৰ বাবে এই তাৰিখটো নিৰ্বাচন কৰিছিল। তেওঁলোকৰ মূল উদ্দেশ্য আছিল— সেই তাৰিখতে কমিউনিষ্টসকলে আগভাগ লৈ পতা ‘আন্তৰ্জাতিক শ্ৰমিক দিৱস’ উদ্‌যাপনক যাতে ম্লান কৰিব পৰা যায়। ইউৰোপ আৰু আমেৰিকাত খৃষ্টানসকলে এতিয়া ১ মে’ত যি উৎসৱ পালন কৰে, তাত ‘মে’পল’ক কেন্দ্ৰ কৰি নাচ-গান কৰা হয়, কুমাৰী মেৰীক মুকুট পিন্ধোৱা হয় আৰু ভোজ-ভাতৰ আয়োজন কৰা হয়।

ইউৰোপত যি মে’ দিৱস অনুষ্ঠিত হৈ আহিছিল সেয়া আছিল তেওঁলোকৰ পুৰণি গ্ৰাম্য উৎসৱৰ লগত সম্পৰ্কিত। কিন্তু পাছত মে’ দিৱসে সেই ঋতুজনিত আনন্দ উৎসৱৰ ৰূপ হেৰুৱালে। পুঁজিবাদী দেশসমূহে খৃষ্টান ধৰ্মগুৰুসকলৰ জৰিয়তে ১ মে’ বা মে’ দিৱসক এক ঋতুকেন্দ্ৰিক ধৰ্মীয় আৰু সামাজিক উৎসৱ হিচাপে ৰাখিবলৈ চেষ্টা কৰিলেও সেইবোৰ উৎসৱে পহিলা মে’ৰ ‘আন্তৰ্জাতিক শ্ৰমিক দিৱস’ উদ্‌যাপনত বিশেষ প্ৰভাৱ

পেলাব পৰা নাই। এতিয়া বিশ্বৰ প্ৰায়ভাগ লোকে মে' দিৱস মানে শ্ৰমিকসকলৰ লগত সম্পৰ্কিত 'আন্তৰ্জাতিক শ্ৰমিক দিৱস'কে বুজে।

**বিশ্বত শ্ৰমিক আন্দোলন**

ধনাঢ্য পুঁজিবাদী শ্ৰেণীয়ে নিজৰ লাভৰ বাবে শ্ৰমিক শ্ৰেণীক কামত খটুৱাবলৈ চেষ্টা কৰাৰ সময়ৰে পৰা শ্ৰমিক শ্ৰেণী আৰু মালিক পক্ষৰ মাজত এক শ্ৰেণী সংগ্ৰাম চলিয়েই আছে। অত্যধিক লাভ কৰিবৰ বাবে মালিক পক্ষই প্ৰায় নিৰক্ষৰ শ্ৰমিকসকলক বেছি সময় কামত খটুৱায় আৰু বিনিময়ত তেনেই কম মজুৰি দিয়ে। তাতেই সৃষ্টি হয় সংঘাতৰ।

১৮৫৬ চনৰ ২১ এপ্ৰিলত অষ্ট্ৰেলিয়ান শৈলশ্ৰমিক সকলে (stonemason) দৈনিক আঠঘণ্টীয়া কৰ্মসময়ৰ দাবীত তেওঁলোকৰ মালিকসকলৰ বিৰুদ্ধে সমূহীয়া কৰ্মবিৰতি পালন কৰে। এই কৰ্মবিৰতিয়ে মালিক শ্ৰেণীক কিছু চিন্তাত পেলাবলৈ সক্ষম হ'ল। তাৰ পাছত আমেৰিকাৰ শ্ৰমিকসকলেও পুঁজিপতিসকলৰ নীতিৰ বিৰুদ্ধে প্ৰতিবাদ কৰি তেনে দাবী কৰিবলৈ উৎসাহিত হ'ল। শোষণৰ বিৰুদ্ধে মাত মাতিবলৈ ওলাই অহা কমিউনিষ্টসকলৰ চেষ্টাত বিশ্বৰ আন ঠাইৰ শ্ৰমিকসকলো সংগঠিত হ'ল আৰু তেওঁলোকক প্ৰাপ্য আজৰি সময় আৰু মজুৰিৰ পৰা বঞ্চিত কৰা পুঁজিবাদী মালিকসকলৰ অন্যায়ৰ প্ৰতিবাদ কৰিবলৈ শিকিলে।

১৯৮৬ চনৰ ১ মে'ত আমেৰিকা যুক্তৰাষ্ট্ৰৰ শ্ৰমিকসকলে 'আঠঘণ্টীয়া কৰ্মসময়'ৰ দাবীত এক আন্দোলন আৰম্ভ কৰিছিল। সাধাৰণ ৰূপত আৰম্ভ হোৱা এই আন্দোলন ক্ৰমে আমেৰিকা যুক্তৰাষ্ট্ৰৰ বহু ঠাইতে বিয়পি পৰে। ৪ মে'ৰ দিনা চিকাগোত সেই আন্দোলনকাৰীসকলক বাধা দিবলৈ পুলিচে চেষ্টা চলাইছিল। তেনে সময়তে কোনো অচিনাক্ত লোকে সেইফালে এটা বোমা দলিয়াই দিলে। প্ৰচণ্ড শব্দ কৰি বোমাটোৰ বিস্ফোৰণ হয় আৰু পুলিচৰ কেবাজনো লোকৰ থিতাতে মৃত্যু হয়। পুলিচ বাহিনীয়েও প্ৰত্যুত্তৰত গুলীচালনা কৰে। এই সংঘৰ্ষত সাতজন পুলিচ বিষয়া আৰু চাৰিৰ পৰা আঠজন শ্ৰমিকৰ মৃত্যু হয়, যাঠিজন পুলিচ বিষয়া আহত হয় আৰু ১১৫ জন শ্ৰমিক আৰু সাধাৰণ ৰাইজ আহত হয়। এই ঘটনাকে 'হে'মাৰ্কেট (Haymarket) সংঘৰ্ষ' বুলি জনা যায়। ইয়াৰ পাছত পুলিচে কেবাশ শ্ৰমিক নেতা আৰু সমৰ্থকক গ্ৰেপ্তাৰ কৰে। (পাছত বিচাৰৰ ভেকো-ভাওনা পাতি তাৰে চাৰিজনক মৃত্যুদণ্ডেৰে দণ্ডিত কৰা হয়।) তাৰ পাছদিনা ৫ মে'ত আমেৰিকা যুক্তৰাষ্ট্ৰৰে উইছকনছিনৰ মিলবাউকীত পুলিচে প্ৰতিবাদকাৰীৰ এক দললৈ গুলীচালনা কৰে আৰু তাতো সাতজন লোকৰ মৃত্যু হয়। এই সাতজনৰ ভিতৰত এজন নিৰীহ লোক আৰু এটা ল'ৰাও আছিল। তেওঁলোকে নিজৰ ঘৰৰ চৌহদৰ ভিতৰত কুকুৰাক দানা খুৱাই আছিল আৰু পুলিচৰ নিৰ্বিচাৰ গুলীবৰ্ষণত মৃত্যুমুখত পৰিছিল। সেইদিনাই সেই আন্দোলনৰ অন্ত পৰিল যদিও শ্ৰমিকসকলৰ মনত ক্ষোভৰ জুই জ্বলিয়েই থাকিল।

**আন্তৰ্জাতিক শ্ৰমিক দিৱস**

১ মে'ৰ দিনটোক 'আন্তৰ্জাতিক শ্ৰমিক দিৱস' হিচাপে উদ্যাপন কৰাৰ প্ৰথম কুচকাৱাজ আৰম্ভ হৈছিল ১৮৮৯ চনত। মাৰ্ক্সবাদী 'ইণ্টাৰনেছনেল ছ'চিয়েল কংগ্ৰেছ' পেৰিছত অনুষ্ঠিত এক অধিবেশনত বিশ্বৰ প্ৰায় সকলো প্ৰধান কমিউনিষ্ট সংগঠনৰ প্ৰতিনিধিৰ উপস্থিতিত তেওঁলোকৰ আগৰ 'ইণ্টাৰনেছনেল ৱৰ্কিংমেন এছ'চিয়েছন'ৰ ঠাইত 'ছেকেণ্ড ইণ্টাৰনেছনেল' নামেৰে এক সামূহিক সংগঠন প্ৰতিষ্ঠা কৰে। তেওঁলোকে শ্ৰমিক শ্ৰেণীৰ দৈনিক 'আঠঘণ্টীয়া কৰ্মসময়'ৰ দাবীক সমৰ্থন জনাই এক বৃহৎ আন্তৰ্জাতিক বিক্ষোভ প্ৰদৰ্শন কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰে আৰু লগতে ৰাজনৈতিক উদ্দেশ্য আগত ৰাখি ১ মে'ৰ দিনটোক 'আন্তৰ্জাতিক শ্ৰমিক দিৱস' হিচাপে উদ্যাপন কৰিবলৈ থিৰাং কৰে। আমেৰিকাৰ 'আমেৰিকান ফেডাৰেছন অফ লেবাৰ'ৰ হৈ তেওঁলোকৰ নেতা ৰে'মণ্ড লাভিগনেই ১ মে'ত এই দিৱস উদ্যাপনৰ প্ৰস্তাৱ আগ বঢ়াইছিল। কাৰণ ১৯৮৬ চনৰ ১ মে' দিনটোতে আমেৰিকা যুক্তৰাষ্ট্ৰত শ্ৰমিকসকলে একগোট হৈ 'আঠঘণ্টীয়া কৰ্মসময়'ৰ দাবীত আন্দোলন আৰম্ভ কৰিছিল।

মূলতঃ কমিউনিষ্টসকলৰ নেতৃত্বত মে' দিৱস পালন আৰম্ভ হোৱাৰ পাঁচ বছৰ পাছত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি গ্ৰোভাৰ ক্লেভলেণ্ডে 'শ্ৰমিক দিৱস'ৰ সমাজবাদী মূলক লৈ অস্বস্তি পাই আন এক তাৰিখত

শ্ৰমিক দিৱস পাতিবলৈ শ্ৰমিকসকলক উৎসাহিত কৰিবলৈ সিদ্ধান্ত ল'লে। সেই সময়ত আমেৰিকা যুক্তৰাষ্ট্ৰৰে কিছুমান প্ৰদেশত ছেপ্টেম্বৰ মাহৰ প্ৰথম সোমবাৰত ছেগা-চোৰোকাকৈ শ্ৰমিক দিৱস পালন কৰা হৈছিল। ক্লেভলেণ্ডে সেই সুবিধা গ্ৰহণ কৰি সেই দিনটোকে আনুষ্ঠানিক মৰ্য্যাদা দি 'শ্ৰমিক দিৱস' হিচাপে ঘোষণা কৰিলে। কানাডায়ো তৎকালে সেই দিনটোকে চৰকাৰী মৰ্য্যাদা দিলে। তেতিয়াৰে পৰা আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু কানাডাত ছেপ্টেম্বৰ মাহৰ প্ৰথম সোমবাৰত চৰকাৰীভাৱে 'শ্ৰমিক দিৱস' পালন কৰা হৈ আহিছে।

**মে' দিৱসৰ ব্যাপক উদ্‌যাপন**

বিশ্বৰ এসময়ৰ বৃহত্তম সমাজবাদী ৰাষ্ট্ৰ ছোভিয়েট ইউনিয়নে মে' দিৱসত বিশেষ গুৰুত্ব দি চৰকাৰী উদ্যোগত বেছ গুৰুত্বসহকাৰে আৰু আড়ম্বৰপূৰ্ণ ভাবে এই 'আন্তৰ্জাতিক শ্ৰমিক দিৱস' উদ্‌যাপন কৰিছিল। বিশ্বৰ আন কমিউনিষ্ট ৰাষ্ট্ৰসমূহতো মে' দিৱসে যথেষ্ট গুৰুত্ব লাভ কৰিছিল। ছোভিয়েট ইউনিয়নৰ নেতৃত্বত সাম্যবাদী দেশসমূহে এই দিৱসৰ ব্যাপক উদ্‌যাপনৰ জৰিয়তে ইউৰোপ আৰু আমেৰিকাৰ শ্ৰমিকসকলক পুঁজিবাদৰ বিৰুদ্ধে ঐক্যবদ্ধ হ'বলৈ উৎসাহিত কৰিবলৈ চেষ্টা কৰিছিল। বহুতো দেশে চৰকাৰীভাৱে এই দিনটোতে 'শ্ৰমিক দিৱস' পালন কৰিবলৈ ল'লে। ছোভিয়েট ইউনিয়নে মস্কোৰ ৰেড স্কোৱাৰত দেশৰ বৰমূৰীয়াসকলৰ উপস্থিতিত এই দিৱস উদযাপন কৰিছিল। পাছৰ পৰ্য্যায়ত এই ইউনিয়নৰ বিভংগনৰ পাছত সেই উদ্‌যাপন যথেষ্ট ম্লান পৰিল।

'ছেকেণ্ড ইণ্টাৰনেছনেল'ৰ ১৯৮৯ চনৰ সেই সিদ্ধান্তৰ পাছত প্ৰতি বছৰে ১ মে'ৰ দিনা 'শ্ৰমিক দিৱস' উদ্‌যাপিত হৈ আহিছে। ১৯০৪ চনত 'ছেকেণ্ড ইণ্টাৰনেছনেল'ৰ ষষ্ঠ অধিবেশনত সকলো দেশৰ সকলো গণতান্ত্ৰিক দল আৰু ট্ৰেড ইউনিয়নক ১ মে'ৰ দিনটো 'আন্তৰ্জাতিক শ্ৰমিক দিৱস' হিচাপে আইনগত স্বীকৃতি দিবলৈ অনুৰোধ জনোৱা হ'ল। সেই ন্যায্য অনুৰোধক মৰ্য্যাদা দি বিশ্বৰ বহুতো দেশে ১ মে'ক 'আন্তৰ্জাতিক শ্ৰমিক দিৱস' হিচাপে স্বীকৃতি দিছে। এতিয়া ১ মে' দিনটো বহুতো দেশতে এক ৰাষ্ট্ৰীয় বন্ধৰ দিন।



১৯৯০ চনৰ পৰা ১ মে'ত প্ৰথমবাৰৰ বাবে মে' দিৱস (আন্তৰ্জাতিক শ্ৰমিক দিৱস) উদযাপন কৰা হৈছিল। প্ৰথম উদযাপনৰ সময়তে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইউৰোপৰ শ্ৰমিকসকলে চৰকাৰী নীতিৰ বিৰুদ্ধে বিক্ষোভ কৰে। চিলি আৰু পেৰুতো তেনে বিক্ষোভ প্ৰদৰ্শন কৰা হয়। ১৮৯১ত অনুষ্ঠিত 'ছেকেণ্ড ইণ্টাৰনেছনেল'ৰ দ্বিতীয় সন্মিলনত প্ৰতিবছৰে মে' দিৱস পাতিবলৈ আনুষ্ঠানিক সিদ্ধান্ত লোৱা হয়। পাছে ১৮৯৪ চনৰ মে' দিৱসত বহু ঠাইত সংঘৰ্ষ হয়। সেই বছৰতে আমষ্টাৰডামত অনুষ্ঠিত 'ইণ্টাৰনেছনেল ছ'চিয়েলিষ্ট কংগ্ৰেছ'ত এই কথা বাধ্যতামূলক কৰি দিয়া হয় যে ১ মে'ৰ দিনটোত কোনো ঠাইতে কোনো শ্ৰমিকে কাম নকৰিব। তেওঁলোকে কৰ্মবিৰতি পালন কৰি নিজৰ মাজতে আলাপ-আলোচনা অনুষ্ঠিত কৰিব, প্ৰয়োজন হ'লে বিক্ষোভ প্ৰদৰ্শন কৰিব।

মে' দিৱসে বিশ্বৰ শ্ৰমিকসকলক ঐক্যবদ্ধ কৰাত প্ৰভূত সহায় কৰি আহিছে। আনহাতে এই দিৱসে শ্ৰমিকসকলৰ প্ৰাপ্য সা-সুবিধা আৰু মজুৰি, কৰ্মসময় সম্পৰ্কতো সাধাৰণ ৰাইজৰ মাজত জনমত গঠন কৰিবলৈ সক্ষম হৈছে। তাৰ ফলতে শ্ৰমিকসকলে এতিয়া আঠঘণ্টীয়া কৰ্মসময়, বাসগৃহৰ সুবিধা, সস্তীয়া ৰেছনৰ সুবিধা, শিক্ষাৰ সুবিধা, চিকিৎসাৰ সুবিধা আদি লাভ কৰিছে। অৱশ্যে এই ক্ষেত্ৰত নোপোৱাৰ তালিকাখন বেছি দীঘল আৰু আনহাতে কিছুমান অসৎ মালিকে নানা ফন্দীৰে এতিয়াও তেওঁলোকৰ শ্ৰমিকসকলক প্ৰাপ্য সুবিধা দিয়া নাই। শ্ৰমিকসকলৰ মাজত বিভাজন অনাৰ প্ৰচেষ্টাতো আছেই আৰু তাত পুঁজিবাদী নেতৃত্ব কিছু সফলো হৈছে। গতিকে মে' দিৱস উদ্‌যাপনৰ মূল শ্লোগান, 'বিশ্বৰ শ্ৰমিক এক হওক'ত উপনীত হ'বলৈ এতিয়াও বাকী। ❖

## দুই ভাৰতীয় শিল্পীলৈ গ্ৰেমী বঁটা






যোৱা ৪ এপ্ৰিল তাৰিখে দুই ভাৰতীয় শিল্পীলৈ বিশ্ব সংগীতৰ সৰ্বোচ্চ সন্মান 'গ্ৰেমী বঁটা, ২০২২' আগ বঢ়োৱা হয়। আমেৰিকা যুক্তৰাষ্ট্ৰৰ লছ ভেগাছত অনুষ্ঠিত কাৰ্য্যসূচীত ৬৪ সংখ্যক গ্ৰেমী বঁটা লাভ কৰিবলৈ সক্ষম হোৱা ভাৰতীয় শিল্পী দুগৰাকী হৈছে ৰিকী কেজ আৰু ফাল্গুনী শ্বাহ। ভাৰতীয় সংগীত পৰিচালক তথা পৰিবেশ কৰ্মী ৰিকী কেজ 'ডিভাইন টাইডছ'ৰ বাবে শ্ৰেষ্ঠ নিউ এজ এলবামৰ গ্ৰেমী বঁটা লাভ কৰে। উল্লেখযোগ্য যে ৰিকী কেজে ২০১৫ চনতো তেওঁৰ এলবাম 'উইণ্ডছ অব ছমছাৰা'ৰ বাবে গ্ৰেমী বঁটা লাভ কৰিছিল। আনহাতে ভাৰতীয়-আমেৰিকান গায়িকা ফাল্গুনী শ্বাহে শ্ৰেষ্ঠ শিশু মিউজিক এলবামৰ শ্ৰেষ্ঠ গ্ৰেমী বঁটা লাভ কৰে। ফাল্গুনী শ্বাহে 'এ কালাৰফুল ৱৰ্ল্ড'ৰ বাবে এই বঁটা লাভ কৰিবলৈ সক্ষম হয়। অস্কাৰ বঁটা বিজয়ী সংগীতজ্ঞ এ আৰ ৰহমানৰ সৈতে সংগীত পৰিবেশন কৰি জনপ্ৰিয়তা অৰ্জন কৰা ফাল্গুনী শ্বাহ বৰ্তমান নিউয়ৰ্ক চহৰৰ বাসিন্দা। ৬৪ সংখ্যক গ্ৰেমী বঁটাত বৰ্ষশ্ৰেষ্ঠ এলবাম হিচাপে বঁটা লাভ কৰে জন বেটিষ্টৰ 'উই আৰ'এ। ছিল্ক ছনিকৰ 'লীভ দা ডোৰ অ'পেন'এ বৰ্ষশ্ৰেষ্ঠ গীতৰ গ্ৰেমী বঁটা লাভ কৰে।

### অসমত আফস্পা প্ৰত্যাহাৰ

যোৱা ৩১ মাৰ্চ তাৰিখে কেন্দ্ৰীয় চৰকাৰে অসমৰ ২৪ খন জিলাত সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন, চমুকৈ আফস্পা [Armed Forces (Special Powers) Act] প্ৰত্যাহাৰ কৰাৰ কথা ঘোষণা কৰে। সুদীৰ্ঘ তিনি দশকৰ পাছত কেন্দ্ৰীয় চৰকাৰে অসমৰ লগতে নগালেণ্ড আৰু মণিপুৰতো আংশিকভাৱে এই আইনখন প্ৰত্যাহাৰ কৰিছে। আইন শৃংখলা পৰিস্থিতি উন্নত হোৱাৰ বাবেই কেন্দ্ৰীয় চৰকাৰে অসমৰ ২৪ খন জিলাত আফস্পা প্ৰত্যাহাৰৰ সিদ্ধান্ত গ্ৰহণ কৰে। আনহাতে উগ্ৰপন্থীৰ কাম-কাজ সক্ৰিয় হৈ থকাৰ বাবে উজনি অসম আৰু পাহাৰীয়া ৯ খন জিলা আৰু এটা মহকুমা ক্ৰমে—কাৰ্বি আংলং, পশ্চিম কাৰ্বি আংলং, ডিমা হাছাও, ডিব্ৰুগড়, তিনিচুকীয়া, চৰাইদেউ, শিৱসাগৰ, গোলাঘাট, যোৰহাট জিলা আৰু কাছাৰ জিলাৰ কেৱল লক্ষীপুৰ মহকুমাত আফস্পা বলৱৎ কৰি ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। উল্লেখযোগ্য যে ১৯৯০ চনৰ ২৮ নৱেম্বৰত অসমত আফস্পা বলৱৎ কৰা হৈছিল আৰু আলফাক নিষিদ্ধ সংগঠন বুলি ঘোষণা কৰা হৈছিল। ১৯৯০ চনৰ পৰা প্ৰতি ছমাহৰ মূৰে মূৰে বৰ্তমানলৈ মুঠ ৬০ বাৰ আফস্পাৰ ম্যাদ বৃদ্ধি কৰা হৈছে। ২০১৪ চনত কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰ গঠন হোৱাৰ পাছত ক্ৰমে মিজোৰাম, মেঘালয় আৰু অৰুণাচলৰ পৰা আফস্পা প্ৰত্যাহাৰ কৰা হৈছিল।

## লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাত চেম্পিয়ন দিল্লী এফ চি



যোৱা ৩ এপ্ৰিল তাৰিখে অনুষ্ঠিত ৬৮ সংখ্যক ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত খেলত দিল্লী এফ চিয়ে চেম্পিয়নৰ খিতাপ দখল কৰিবলৈ সমৰ্থ হয়। গুৱাহাটী ক্ৰীড়া সন্থাৰ উদ্যোগত নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত চূড়ান্ত খেলখনত দিল্লী এফ চিয়ে নগালেণ্ড পুলিচক ১-০ গ'লত পৰাভূত কৰি চেম্পিয়নৰ খিতাপ হস্তগত কৰে। খেলখনত একমাত্ৰ তথা বিজয়সূচক গ'লটো দিয়ে দিল্লী এফ চিৰ জাপানী খেলুৱৈ কছুকে য়ামাজাকিয়ে।

চেম্পিয়ন দল দিল্লী এফ চিয়ে ট্ৰফী আৰু দুই লাখ টকা লাভ কৰাৰ বিপৰীতে ৰানাৰ্ছ আপ দল নগালেণ্ড পুলিচে ট্ৰফী আৰু এক লাখ টকা লাভ কৰে। কছুকে য়ামাজাকি চূড়ান্ত খেলৰ শ্ৰেষ্ঠ খেলুৱৈ নিৰ্বাচিত হয়। এই

বৰ্ষৰ বৰদলৈ ট্ৰফী প্ৰতিযোগিতা মুঠ চাৰিখন খেলপথাৰত অনুষ্ঠিত হৈছিল আৰু মুঠ ১৬টা দলে অংশগ্ৰহণ কৰিছিল।

## মহিলা বিশ্বকাপ ক্ৰিকেটৰ চেম্পিয়ন অষ্ট্ৰেলিয়া

যোৱা ৩ এপ্ৰিল তাৰিখে নিউজিলেণ্ডৰ ক্ৰাইষ্টচাৰ্চত অনুষ্ঠিত আই চি চি মহিলা বিশ্বকাপ প্ৰতিযোগিতাৰ ফাইনেল খেলত অষ্ট্ৰেলিয়াই চেম্পিয়নৰ খিতাপ দখল কৰে। ফাইনেল খেলখনত অষ্ট্ৰেলিয়াই ডিফেণ্ডিং চেম্পিয়ন ইংলণ্ডক ৭১ ৰাণত পৰাস্ত কৰি সপ্তমবাৰৰ বাবে খিতাপ লাভ কৰে। প্ৰতিযোগিতাখনত অপ্ৰতিৰোধ্য অষ্ট্ৰেলিয়াই এলিছা হিলীৰ ১৭০ ৰাণৰ সহায়ত ৩৫৬ ৰাণ সংগ্ৰহ কৰে। ১৩৮টা বলত ২৬টা বাউণ্ডেৰীৰে ১৭০ ৰাণ কৰা এলিছা হিলীয়ে পুৰুষ অথবা মহিলা বিশ্বকাপৰ ফাইনেল খেলত ব্যক্তিগতভাৱে সৰ্বাধিক ৰাণ কৰাৰ বিশ্ব অভিলেখ গঢ়ে। ৩৫৭ ৰাণৰ জয়ৰ লক্ষ্যেৰে বেটিং কৰি ইংলেণ্ডে ৪৩.৪ অ'ভাৰত ২৮৫ ৰাণহে সংগ্ৰহ কৰিবলৈ সক্ষম হয়। ফাইনেল খেলখনৰ লগতে প্ৰতিযোগিতাখনত শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে অষ্ট্ৰেলিয়াৰ এলিছা হিলীয়ে। চেম্পিয়ন দলটোৱে ট্ৰফীৰ লগতে ১.৩২ নিযুত মাৰ্কিন ডলাৰ পুৰস্কাৰৰ ধন লাভ কৰে।

## দেশৰ নতুন সেনাপ্ৰধান মনোজ পাণ্ডে



যোৱা ৪ এপ্ৰিল তাৰিখে লেফটেনেণ্ট জেনেৰেল মনোজ পাণ্ডেক দেশৰ পৰৱৰ্তী সেনাপ্ৰধান হিচাপে কেন্দ্ৰীয় চৰকাৰে নিযুক্তি দিয়ে। পাণ্ডে বৰ্তমানৰ সেনাপ্ৰধান জেনেৰেল এম এম নাৰাৱানেৰ স্থলাভিষিক্ত হ'ব। পাণ্ডে বৰ্তমান উপ-সেনাপ্ৰধান হিচাপে কৰ্মৰত আৰু তেওঁ ১ মে' তাৰিখে নতুন পদবীত যোগদান কৰিব। ১৯৬২ চনৰ ৬ মে'ত জন্মগ্ৰহণ কৰা মনোজ পাণ্ডে হৈছে দেশৰ ২৯ সংখ্যক সেনাপ্ৰধান। ৩৯ বছৰীয়া বৰ্ণিল কৰ্মজীৱনৰ অভিজ্ঞতাৰে তথা বিভিন্ন দেশত লাভ কৰা প্ৰশিক্ষণেৰে পুষ্ট পাণ্ডে এজন অতি চতুৰ সেনা বিষয়া বুলি পৰিচিত।

## বিশ্ব চেম্পিয়নশ্বিপলৈ অম্লান বৰগোহাঁই



যোৱা ৬ এপ্ৰিল তাৰিখে অম্লান বৰগোহাঁয়ে অসমৰ প্ৰথম পুৰুষ খেলুৱৈ হিচাপে আমেৰিকা যুক্তৰাজ্যৰ অৰেগণত অনুষ্ঠিত হ'বলগীয়া বিশ্ব এথলেটিকছ চেম্পিয়নশ্বিপলৈ যোগ্যতা অৰ্জন কৰি ইতিহাস ৰচনা কৰে। কেৰালাৰ কালিকটত অনুষ্ঠিত ২৫ সংখ্যক ৰাষ্ট্ৰীয় ছিনিয়ৰ ফেডাৰেছন কাপ এথলেটিক প্ৰতিযোগিতাত পুৰুষৰ ২০০ মিটাৰ দৌৰত নতুন ৰাষ্ট্ৰীয় অভিলেখ স্থাপন কৰি অম্লানে বিশ্ব এথলেটিকছৰ লগতে আগন্তুক ২২ সংখ্যক এছিয়ান গেমছলৈয়ো যোগ্যতা অৰ্জন কৰিবলৈ সক্ষম হয়।

আনহাতে একেখন প্ৰতিযোগিতাতে অসমৰ আন এগৰাকী খেলুৱৈ 'ধিং এক্সপ্ৰেছ' হিমা দাসেও মহিলাৰ ২০০ মিটাৰ দৌৰত স্বৰ্ণ পদক লাভ কৰে। ইণ্ডিয়া গ্ৰাঁ-প্ৰী-১ত ৰূপৰ পদক অৰ্জন কৰা হিমাই এই প্ৰতিযোগিতাত স্বৰ্ণপদক লাভ কৰে।

## গুৱাহাটীত কমনৱেলথ পাৰ্লিয়ামেণ্টৰী এছ'চিয়েছনৰ কাৰ্য্যনিৰ্বাহক

যোৱা ৯ এপ্ৰিল তাৰিখে অসম বিধানসভাত কমনৱেলথ পাৰ্লিয়ামেণ্টৰী এছ'চিয়েছনৰ কাৰ্য্যনিৰ্বাহক সভাৰ বৈঠক অনুষ্ঠিত হয়। প্ৰথমবাৰৰ বাবে ভাৰতত আয়োজিত হোৱা এই বৈঠকে অসম বিধানসভাৰ গৌৰৱোজ্জ্বল ইতিহাসত নতুন অধ্যায় সূচনা কৰে। এই বৈঠকত বিশ্বৰ ৫৩ খন ৰাষ্ট্ৰৰ প্ৰতিনিধি আৰু ৯টা মণ্ডলৰ প্ৰতিনিধিয়ে প্ৰত্যক্ষ অথবা ভাৰ্চুৱেলভাৱে অংশগ্ৰহণ কৰে। দুদিনীয়া কাৰ্য্যসূচীৰে আয়োজিত কমনৱেলথ পাৰ্লিয়ামেণ্টৰী এছ'চিয়েছনৰ কাৰ্য্যনিৰ্বাহক বৈঠকখন লোকসভাৰ অধ্যক্ষ ওম বিৰলাই শুভাৰম্ভ কৰে আৰু ভৌগোলিক, সাংস্কৃতিক, ধাৰ্মিক, ভাষিক বিভিন্নতাৰ মাজতো ভাৰতবৰ্ষত গণতন্ত্ৰ আৰু লোকতন্ত্ৰ সফল হোৱা বুলি মত প্ৰকাশ কৰে। কমনৱেলথ পাৰ্লিয়ামেণ্টৰী এছ'চিয়েছনৰ কাৰ্য্যকৰী অধ্যক্ষ তথা ইংলণ্ডৰ সাংসদ ইয়ান লিডল গ্ৰেইনজাৰেও অংশগ্ৰহণ কৰা এই বৈঠকত ইংলণ্ড, ঘানা, মালয়েছিয়া, অষ্ট্ৰেলিয়া, জিম্বাব'ৱে, চিৰিয়া,

লিয়ন, কেনিয়া, টানজানিয়া, বাৰ্বাডোজ, ছিংগাপুৰ আৰু ভাৰতবৰ্ষৰ প্ৰতিনিধিসকলে প্ৰত্যক্ষভাৱে অংশগ্ৰহণ কৰে।

## আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰত ব্যক্তিগত খণ্ডৰ মহাকাশচাৰী

যোৱা ৯ এপ্ৰিল তাৰিখে ধনাঢ্য ব্যক্তি ইল'ন মাস্কৰ ব্যক্তিগত মহাকাশ কোম্পানী স্পেছ এক্সৰ ফেলকন-৯ ৰকেটৰ জৰিয়তে আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰত (আইএছএছ) চাৰিজন মহাকাশচাৰী অৱতৰণ কৰিবলৈ সক্ষম হয়। আমেৰিকা যুক্তৰাষ্ট্ৰৰ হিউষ্টনস্থিত ষ্টাৰ্টআপ কোম্পানী এক্সিয়ম স্পেছৰ চাৰিজনীয়া মহাকাশচাৰীৰ দলটোৱে নাছাৰ কেনেডি মহাকাশ কেন্দ্ৰৰ পৰা ৰাওনা হৈ ২১ ঘণ্টীয়া যাত্ৰাৰ অন্তত সফলতাৰে আইএছএছত পদাৰ্পণ কৰে।

আইএছএছত অৱতৰণ কৰি ইতিহাস ৰচনা কৰা চাৰিগৰাকী মহাকাশচাৰীৰ দলটোত আছে নাছাৰ প্ৰাক্তন মহাকাশচাৰী ৬৩ বছৰীয়া মাইকেল ল'পেজ, উদ্যোগপতি লেৰি কনৰ, ইজৰাইলৰ প্ৰাক্তন যুঁজাৰু পাইলট ৬৪ বছৰীয়া আইটন চিৱে আৰু কানাডাৰ ব্যৱসায়ী ৫২ বছৰীয়া মাৰ্ক পেৰ্থি। মহাকাশচাৰী দলটোৱে ৮ দিন ধৰি আইএছএছৰ সৈতে পৃথিৱীৰ কক্ষপথত পৰিভ্ৰমণ কৰিব। এই ব্যয়বহুল যাত্ৰাৰ এটা টিকটৰ দাম হৈছে ৫৫ নিযুত মাৰ্কিন ডলাৰ।

## পাকিস্তানৰ নতুন প্ৰধানমন্ত্ৰী শ্বেহবাজ শ্বৰীফ

যোৱা ১১ এপ্ৰিল তাৰিখে বিৰোধী দলপতি তথা পাকিস্তান মুছলীম লীগৰ (এন) নেতা শ্বেহবাজ শ্বৰীফ পাকিস্তানৰ নতুন প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হয়। ১০ এপ্ৰিলত অনুষ্ঠিত অনাস্থা প্ৰস্তাৱৰ ভোটত তদানীন্তন প্ৰধানমন্ত্ৰী ইমৰান খানৰ চৰকাৰ পৰাজিত হোৱাৰ লগে লগে নতুন প্ৰধানমন্ত্ৰী পদৰ প্ৰাৰ্থী নিৰ্বাচনী প্ৰক্ৰিয়া আৰম্ভ কৰা হয়। বিৰোধী দল পি এম এল (এন)ৰ নেতা শ্বেহবাজ শ্বৰীফ বিনা প্ৰতিদ্বন্দ্বিতাৰে পাকিস্তানৰ পৰৱৰ্তী প্ৰধানমন্ত্ৰী নিৰ্বাচিত হয়। দেশখনৰ ২৩ সংখ্যক প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱা ৭০ বছৰীয়া শ্বেহবাজ শ্বৰীফ দেশখনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী নৱাজ শ্বৰীফৰ ভাতৃ। ইমৰান খান নেতৃত্বাধীন পাকিস্তান তেহৰিক-ই-ইনছাফ দলটোৰ সকলো সদস্যই দেশখনৰ ৰাষ্ট্ৰীয় সংসদৰ পৰা পদত্যাগ কৰাৰ লগতে প্ৰধানমন্ত্ৰী নিৰ্বাচনী প্ৰক্ৰিয়া বৰ্জন কৰে।

উল্লেখযোগ্য যে বিৰোধী দলে পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰান খানৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ অনাৰ পাছত প্ৰধানমন্ত্ৰীগৰাকীয়ে অনাস্থা প্ৰস্তাৱত ভোটদানৰ পূৰ্বেই সংসদ ভংগ কৰি দিয়ে। এই সংসদ ভংগক লৈ দেশখনৰ উচ্চতম ন্যায়ালয়ত পাঁচদিন ধৰি শুনানি চলাৰ অন্তত উচ্চতম ন্যায়ালয়ে সংসদ ভংগ কৰাটো অসাংবিধানিক বুলি ৰায়দান কৰি ৯ এপ্ৰিলত অনাস্থা ভোট অনুষ্ঠিত কৰাৰ নিৰ্দেশ দিয়ে। পঞ্জাব প্ৰদেশৰ তিনিটা কাৰ্য্যকালৰ মুখ্যমন্ত্ৰীৰূপে কাৰ্য্যনিৰ্বাহ কৰা শ্বেহবাজ শ্বৰীফে ৩৪২ জনীয়া সংসদত অনাস্থা ভোটত ১৭৪টা ভোট লাভ কৰি প্ৰধানমন্ত্ৰী নিৰ্বাচিত হয়।

## গুৱাহাটী পৌৰ নিগম নিৰ্বাচনত বিজেপিৰ জয়লাভ

যোৱা ২৪ এপ্ৰিল তাৰিখে গুৱাহাটী পৌৰ নিগমৰ (জিএমচি) নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হয় আৰু শাসকীয় বিজেপি দলে অভিলেখ সংখ্যক ৫২ খন আসনেৰে ক্ষমতা দখল কৰিবলৈ সক্ষম হয়। ঘোষিত ফলাফল অনুসৰি অসম গণ পৰিষদে ৬ খন, অসম জাতীয় পৰিষদে ১ খন আৰু আম আদমী পাৰ্টিয়ে ১ খন আসন দখল কৰিবলৈ সমৰ্থ হয়। ২২ এপ্ৰিলত অনুষ্ঠিত নিৰ্বাচনত প্ৰধান বিৰোধী দল জাতীয় কংগ্ৰেছে এখনো আসন দখল কৰিবলৈ সমৰ্থ নহ'ল। ৯ বছৰৰ পাছত অনুষ্ঠিত গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচনত ভোটদানৰ হাৰ আছিল ৫৩.২ শতাংশ আৰু নিৰ্বাচনত মুঠ ১৯৭ জন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছিল। তিনিটা ৱাৰ্ডত শাসকীয় দল বিজেপিৰ প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱা এই নিৰ্বাচনত মুঠ ৭৫৭টা ভোটকেন্দ্ৰত ভোটদান সম্পন্ন হৈছিল। ৭,৯৭,৮০৭টা ভোটাৰ বিশিষ্ট গুৱাহাটী পৌৰ নিগমৰ শেহতীয়া নিৰ্বাচন অনুষ্ঠিত হৈছিল ২০১৩ চনত আৰু তেতিয়াৰ ৩১ জনীয়া নিগমত কংগ্ৰেছ দলে ১৯ খন আসন দখল কৰি ক্ষমতা হস্তগত কৰিছিল। ❖

■ সংগ্ৰহ : কুশল গোস্বামী

## খবৰৰ লেছেৰি বোটলা

**(২১ মাৰ্চ ২০২২ ৰ পৰা ২০ এপ্ৰিল ২০২২লৈ)**

২১ **মাৰ্চ :** ৰাষ্ট্ৰসংঘই ফিনলেণ্ড বিশ্বৰ আটাইতকৈ সুখী দেশ বুলি ঘোষণা কৰে। এই তালিকাত ভাৰতৰ স্থান ১৩৬।

২৪ **মাৰ্চ :** দিল্লীৰ ইন্দিৰা গান্ধী আন্তৰ্জাতিক বিমান বন্দৰে (বাৰ্ষিক ৪ কোটি যাত্ৰীৰ সমাগম হোৱা) এছিয়া-পেছিফিকৰ সৰ্বশ্ৰেষ্ঠ বিমান বন্দৰৰ সন্মান লাভ কৰে।

২৮ **মাৰ্চ :** অসম চৰকাৰে ৩৭৫ কোটি টকাত নগাঁও আৰু পাঁচগ্ৰাম কাগজ কল দুটা ক্ৰয় কৰে।

২৯ **মাৰ্চ :** অসম চৰকাৰে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ মুঠ গঁড়ৰ সংখ্যা ২৬১৩ বুলি প্ৰকাশ কৰে।

৩১ **মাৰ্চ :** বিজেপিৰ পৱিত্ৰ মাৰ্ঘেৰিটা আৰু ইউ পি পি এলৰ ৰণগৌৰা নাৰ্জাৰী অসমৰ পৰা ৰাজ্যসভালৈ (উচ্চ সদন) নিৰ্বাচিত হয়।

১ **এপ্ৰিল :** ৰাজস্থান আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত আইমী বৰুৱাই 'ছেমখৰ'ত কৰা অভিনয়ৰ বাবে আঞ্চলিক ছবিৰ শ্ৰেষ্ঠ অভিনেত্ৰীৰ সন্মান লাভ কৰে।

- ব্ৰাজিলে ফিফা ৰেংকিঙত শীৰ্ষস্থান দখল কৰে। এই তালিকা ভাৰতৰ স্থান ১০৬।

২ **এপ্ৰিল :** চৰম দুৰ্ভিক্ষৰ কবলত পৰা দ্বীপৰাষ্ট্ৰ শ্ৰীলংকাত ৰাষ্ট্ৰীয় জৰুৰী অৱস্থা ঘোষণা কৰা হয়।

- ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু নেপালৰ প্ৰধানমন্ত্ৰী শ্বেৰ বাহাদুৰ দেওবাই দুয়োখন দেশৰ মাজত (ভাৰতৰ জয়নগৰ—নেপালৰ কুৰ্থা) ৰেল সেৱা আনুষ্ঠানিকভাৱে মুকলি কৰে।
- **এপ্ৰিল :** প্ৰসিদ্ধ গীতিকাৰ প্ৰদীপ শৰ্মাৰ ৯০ বছৰ বয়সত মৃত্যু হয়।

৩ **এপ্ৰিল :** কাটাৰ ফিফা বিশ্বকাপৰ খেল ২১ নৱেম্বৰৰ পৰা আৰম্ভ হ'ব বুলি ফিফাই (FIFA) ঘোষণা কৰে। বিশ্বকাপৰ শুভংকৰ প্ৰতীক 'লা ইব' উন্মোচন কৰা হয়।

- **এপ্ৰিল :** মুম্বাইস্থিত ৰমানাথ ভট্টাচাৰ্য্য ফাউণ্ডেছনে 'পদ্মনাথ ভট্টাচাৰ্য্য বিদ্যাবিনোদ' পুৰস্কাৰ কবি আনিছ উজ জামানক প্ৰদান কৰে।

৬ **এপ্ৰিল :** ফ'ৰ্বছৰ তালিকা অনুসৰি ৯০.৭ বিলিয়ন মাৰ্কিন ডলাৰৰ সম্পত্তিৰে উদ্যোগপতি মুকেশ আম্বানি বিশ্বৰ ধনাঢ্যৰ দশম স্থান আৰু ভাৰতৰ শীৰ্ষস্থান দখল কৰে। ২০২২ বৰ্ষত ভাৰতত মুঠ বিলিয়নাৰৰ সংখ্যা ১৬৬ জনলৈ বৃদ্ধি হয়।

৭ **এপ্ৰিল :** অসমৰ পপী হাজৰিকাই ৰাষ্ট্ৰীয় ছিনিয়ৰ মহিলাৰ ভাৰোত্তোলনত ৫৯ কেজি শাখাত স্বৰ্ণপদক লাভ কৰি কমনৱেলথ গেমছলৈ যোগ্যতা অৰ্জন কৰে।

৮ **এপ্ৰিল :** ভাৰতীয় ৰিজাৰ্ভ বেংকে ২০২২-২৩ বৰ্ষত দেশৰ মুঠ ঘৰুৱা উৎপাদন (জিডিপি) ৭.২ শতাংশলৈ কমিব বুলি ঘোষণা কৰে।

- ভাগ্যৱতী কছাৰীয়ে থাইলেণ্ডত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় মুকলি বক্সিং প্ৰতিযোগিতাত ৭০ কেজি শাখাত ব্ৰঞ্জৰ পদক লাভ কৰে।

৯ **এপ্ৰিল :** ৰাষ্ট্ৰসংঘৰ মানৱাধিকাৰ পৰিষদৰ পৰা ৰাছিয়াক নিলম্বন কৰা হয়।

১০ **এপ্ৰিল :** গ্লাছগোত অনুষ্ঠিত বিশ্ব ডব্‌লছ স্কোৱাছ চেম্পিয়নশ্বিপত ভাৰতৰ তাৰকা খেলুৱৈ দীপিকা পাল্লিকালে স্বৰ্ণপদক দখল কৰে।

১১ **এপ্ৰিল :** কবি নীলমণি ফুকনক ২০২১ বৰ্ষৰ জ্ঞানপীঠ বঁটা গুৱাহাটীত আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়।

- **এপ্ৰিল :** যুদ্ধ টেংক প্ৰতিৰোধী 'হেলিনা' মিছাইল ভাৰতে সফলতাৰে উৎপেক্ষণ কৰে।

১২ **এপ্ৰিল :** লখিমপুৰৰ লীলাবাৰী বিমান বন্দৰত কেন্দ্ৰীয় বিমান পৰিবহণ দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই পাইলট প্ৰশিক্ষণ কেন্দ্ৰ মুকলি কৰে।

১৪ **এপ্ৰিল :** বিশ্ববিদ্যালয় অনুদান আয়োগে (ইউজিচি) এগৰাকী শিক্ষাৰ্থীয়ে একে সময়তে দুটা ডিগ্ৰী পাঠ্যক্ৰম গ্ৰহণ কৰিব পাৰিব বুলি ঘোষণা কৰে।

২০ **এপ্ৰিল :** প্ৰসিদ্ধ চলচ্চিত্ৰ নিৰ্মাতা টি ৰামা ৰাওৰ ৮৪ বছৰ বয়সত মৃত্যু হয়। ❖

**■ সংগ্ৰহ : কুশল গোস্বামী**

# জি আই টেগ বা ভৌগোলিক স্বীকৃতি

■ অপৰ্ণা দেৱী

জি আইৰ সম্পূৰ্ণ ৰূপটো হৈছে জিঅ'গ্ৰাফিকেল ইণ্ডিকেচন (Geographical indication)। জি আই টেগ বা ভৌগোলিক স্বীকৃতি হ'ল গুণগত মান আৰু বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি কোনো এবিধ সামগ্ৰীক প্ৰদান কৰা ভৌগোলিক পৰিচয়।

জি আই টেগ বা ভৌগোলিক স্বীকৃতিয়ে সামগ্ৰী এটাক কোনো এক নিৰ্দিষ্ট অঞ্চল বা এলেকাত সেই সামগ্ৰীক বাণিজ্যিকভাৱে উৎপাদন কৰাৰ অধিকাৰ প্ৰদান কৰে। জি আই টেগ বা ভৌগোলিক স্বীকৃতিয়ে কোনো এটা সামগ্ৰীৰ চিনাক্তকৰণৰ চিহ্ন (symbol) হিচাপে কাম কৰে। জি আই টেগ বাণিজ্যিক উন্নয়নৰ বাবে অপৰিহাৰ্য্য। ই অৰ্থনৈতিক দিশতো এক ধৰণৰ প্ৰভাৱ বিস্তাৰ কৰে। প্ৰাকৃতিক সম্পদ আৰু তৈয়াৰী সামগ্ৰীৰ ক্ষেত্ৰত মালিকীস্বত্ব সুৰক্ষাৰ এক আহিলা বা সঁজুলি হ'ল জি আই টেগ। কিছুমান খাদ্য সামগ্ৰী, কাপোৰ, কুটীৰ শিল্পজাত সামগ্ৰী, কিছুমান বিশেষ ঠাই বা অঞ্চলতহে উৎপাদন হয়। উৎপাদিত সা-সামগ্ৰীসমূহক লৈয়ে সেই নিৰ্দিষ্ট অঞ্চল বা ঠাইখন বিখ্যাত হৈ পৰে। কিন্তু কিছুমান মানুহে তেনে নিৰ্দিষ্ট অঞ্চলত উৎপাদিত সামগ্ৰী নকল কৰি নিজ অঞ্চল বা ঠাইলৈ নি সামগ্ৰীবিধৰ পূৰ্বৰ জনপ্ৰিয়তা, চাহিদা হ্ৰাস কৰে। কিছুমান সামগ্ৰী আকৌ নিৰ্দিষ্ট ভৌগোলিক এলেকাৰ ভিতৰতহে উৎপাদন সম্ভৱ হয়। অন্য ঠাইত সেই সামগ্ৰীবিধ উৎপাদন কৰিলে উৎপাদিত সামগ্ৰীটোৰ গুণগত মান হ্ৰাস হয়। চৰকাৰে জি আই টেগৰ জৰিয়তে এনে সামগ্ৰীক আইনী অধিকাৰ বা সুৰক্ষা প্ৰদান কৰে। যাৰ ফলত মানুহে নিজৰ নিৰ্দিষ্ট সামগ্ৰীৰ ব্যৱসায় নিজস্ব ক্ষেত্ৰত, ভৌগোলিক উপাদানক কেন্দ্ৰ কৰি প্ৰসাৰিত কৰাব পাৰে।

জি আই টেগ বিক্ৰী কৰিব নোৱাৰি। ঠিক সেইদৰে ভাৰালৈ দিব বা হস্তান্তৰিত কৰিব নোৱাৰি। ৰাজ্যসমূহেই জি আই টেগৰ স্বত্বাধিকাৰী।

জি আই টেগ বা ভৌগোলিক স্বীকৃতি ২০০৩ চনৰ ১৫ ছেপ্টেম্বৰৰ পৰা ভাৰতত বলৱৎ হৈছে। জি আই টেগ লাভ কৰা প্ৰথম ভাৰতীয় সামগ্ৰী হ'ল দাৰ্জিলিং চাহ (Darjeeling tea)।

আমাৰ দেশৰ ৰাজ্যসমূহৰ ভিতৰত কৰ্ণাটক ৰাজ্যই আটাইতকৈ বেছি সামগ্ৰীৰ ক্ষেত্ৰত জি আই টেগ লাভ কৰিছে। কৰ্ণাটকে সৰ্বমুঠ ৪৭বিধ সামগ্ৰীৰ ক্ষেত্ৰত ভৌগোলিক স্বীকৃতি বা জি আই টেগ লাভ কৰিছে। তাৰ পাছতেই তামিলনাডু ৰাজ্যই সৰ্বমুঠ ৩৯বিধ সামগ্ৰীৰ ক্ষেত্ৰত জি আই টেগ লাভ কৰিছে।

আমাৰ ৰাজ্যখনৰ সৰ্বমুঠ ১০ বিধ সামগ্ৰীয়ে ভৌগোলিক স্বীকৃতি বা জি আই টেগ লাভ কৰিছে। জি আই টেগ লাভ কৰা সেই সামগ্ৰীসমূহৰ ভিতৰত চাহে প্ৰথমে সেই স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছিল। চাহৰ লগতে কাৰ্বি আংলঙৰ আদা, তেজপুৰৰ লিচু, জহা চাউল, কোমল চাউল, চকোৱা চাউল, কাজি নেমু, মুগা আৰু মুগাৰ প্ৰতীক চিহ্ন, ডিমাচা জনগোষ্ঠীৰ পৰম্পৰাগত পানীয় জুডিমা উল্লেখযোগ্য। উত্তৰ-পূৰ্বাঞ্চলৰ অৰুণাচল প্ৰদেশৰ দুবিধ, মণিপুৰৰ সাতবিধ, মেঘালয়ৰ দুবিধ, মিজোৰামৰ সাতবিধ, নাগালেণ্ডৰ পাঁচবিধ, ছিকিমৰ দুবিধ আৰু ত্ৰিপুৰাৰ এবিধ সামগ্ৰীয়ে বৰ্তমানলৈ জি আই টেগ লাভ কৰিবলৈ সক্ষম হৈছে। মুঠতে উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্বমুঠ ৩৫ বিধ সামগ্ৰীয়ে জি আই টেগ লাভ কৰিছে।

জি আই টেগ থকা সামগ্ৰীসমূহৰ অকৰ্তৃত্বশীল ব্যৱহাৰ প্ৰতিৰোধ কৰা হয়। জি আই টেগ থকা সামগ্ৰীসমূহ ৰপ্তানিকৰণৰ জৰিয়তে উৎপাদকসকলে বিত্তীয় লাভৰ মুখ দেখিবলৈ পোৱাৰ সুযোগ পাইছে। জি আই টেগৰ বহুল প্ৰচলন আৰু প্ৰসাৰে দেশ এখনৰ বাণিজ্যিক দিশত কিছু পৰিবৰ্তনৰ সূচনা কৰিব। ❖

# আমেৰিকাৰ ৰাষ্ট্ৰপতি ৰুজভেল্ট আৰু এটা পুতলা

■ পল্লৱী গোস্বামী



সৰুতে খেলনা বস্তু উপহাৰ হিচাপে পোৱাটো কি যে আনন্দৰ কথা আছিল। তাতে কোনোবাই যদি টেডী বিয়েৰ এটা আনি হাতত দিয়ে, বৰ স্ফূৰ্তি লাগে। এইবিধ উপহাৰ ল'ৰাতকৈ ছোৱালীবোৰৰ বেছি প্ৰিয়। জ্যেষ্ঠজনকো মৰম, অভিনন্দন বা সহানুভূতি জনাবলৈ টেডী বিয়েৰ উপহাৰ দিয়া দেখা যায়। এই পুতলাবিধ হাতৰ মুঠিটোৰে ধৰিব পৰা আকাৰৰ পৰা বৃহৎ আকাৰলৈ পোৱা যায়। এইবিধ পুতলা আমাৰ মাজলৈ কেতিয়া আৰু কেনেদৰে আহিল তাৰ এটা আমোদজনক কাহিনী আছে।

'টেডী বিয়েৰ' হৈছে দেখাত নোদোকা ভালুকৰ পোৱালিৰ আকৃতিৰ এটা পুতলা। পুতলাটো গাৰুৰ দৰে কপাহজাতীয় কোমল সামগ্ৰী ভিতৰত ভৰাই নোমাল কাপোৰেৰে প্ৰস্তুত কৰা হয়। বিংশ শতাব্দীৰ আৰম্ভণিতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ মৰিছ মিচ্‌টম আৰু জাৰ্মানীৰ ৰিচাৰ্ড ষ্টিফ নামৰ পুতলা নিৰ্মাতা দুজনে এই পুতলাবিধৰ বিকাশ সাধন কৰে। পুতলাবিধৰ নামকৰণ কৰা হৈছিল আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি থিঅ'ড'ৰ ৰুজভেল্টৰ নামেৰে। তেওঁ 'টেডী' নামেৰে জনপ্ৰিয় আছিল।

১৯০২ চনৰ নৱেম্বৰ মাহৰ কথা। মিছিছিপিৰ গৱৰ্নৰ এণ্ড্ৰিউ এইচ লংগিনোৱে ৰাষ্ট্ৰপতি ৰুজভেল্টক ভালুক চিকাৰলৈ নিমন্ত্ৰণ জনাইছিল। ৰুজভেল্টৰ প্ৰতিদ্বন্দ্বী হিচাপে তাত আন কেইবাজনো চিকাৰী আছিল আৰু বেছিভাগে একোটা ভালুক চিকাৰ কৰিবলৈও সমৰ্থ হৈছিল। কিন্তু ৰুজভেল্টে চিকাৰ কৰিবলৈ এটাও ভালুক বিচাৰি পোৱা নাছিল। তেতিয়া তেওঁৰ সহায়ক হল্ট কোলিয়ৰৰ নেতৃত্বত লগত যোৱা সৈনিকসকলে এটা ক'লা ভালুক ধৰি আনি এজোপা জোপোহা গছত বান্ধি থয়। তাৰ পাছত তেওঁলোকে ৰুজভেল্টক মাতি আনি ভালুকটোক গুলীবিদ্ধ কৰিবলৈ পৰামৰ্শ দিয়ে। কিন্তু ৰুজভেল্টে তেনে কৰিবলৈ অমান্তি হয়।

উক্ত ঘটনাটো দেশৰ বাতৰিকাকতযোগে চাৰিওফালে লগে লগে বিয়পি পৰে। এই বাতৰিটো পঢ়ি ক্লিফ'ৰ্ড বেৰীমেন নামৰ এজন ৰাজনৈতিক কাৰ্টুনিষ্টে ভালুক এটা গুলীয়াবলৈ অমান্তি হোৱা চিকাৰপ্ৰিয় ৰাষ্ট্ৰপতিজনৰ এখন কাৰ্টুনচিত্ৰ প্ৰকাশ কৰে। এই কাৰ্টুনচিত্ৰখন ১৯০২ চনৰ ১৬ নৱেম্বৰত 'ৱাশ্বিংটন পোষ্ট' নামৰ কাকতখনত ছপা হৈ ওলায়। ছবিখন দেখি ব্ৰুকলিন কেণ্ডী নামৰ দোকানখনৰ স্বত্বাধিকাৰী মৰিছ মিচ্‌টমৰ মনলৈ এটা ভাব আহে। তেওঁ নিজৰ পত্নী ৰ'জৰ স'তে মিলি নোমাল কাপোৰত কপাহৰ দৰে কোমল সামগ্ৰী ভৰাই ভালুকৰ আকৃতিৰ পুতলা এটা সাজে আৰু ৰাষ্ট্ৰপতি ৰুজভেল্টৰ নামত সেইটো উছৰ্গা কৰে। তেওঁ পুতলাটোৰ নাম দিয়ে 'টেডীজ বিয়েৰ' (Teddy's Bear)।

পুতলাটোত ৰাষ্ট্ৰপতি ৰুজভেল্টৰ নাম (টেডী) ব্যৱহাৰ কৰাৰ অনুমতি লাভ কৰি মিচ্‌টমে 'টেডী বিয়েৰ' নামেৰে পুতলাবিধ উৎপাদন কৰিবলৈ লয়। কম সময়ৰ ভিতৰতে এই পুতলাবিধে সমগ্ৰ বিশ্বত জনপ্ৰিয়তা অৰ্জন কৰে। খেলৰ সামগ্ৰী হোৱাৰ উপৰি এই 'টেডী বিয়েৰে' নানান কাহিনী, গীত আৰু কথাছবিত স্থান দখল কৰিবলৈ ধৰে।

পৃথিৱীৰ প্ৰথমটো 'টেডী বিয়েৰ সংগ্ৰহালয়' ১৯৮৪ চনত ইংলণ্ডৰ পীটাৰ্ছফিল্ডৰ হেম্পশ্বায়াৰত স্থাপন কৰা হৈছিল। ইয়াৰ উপৰি আমেৰিকা যুক্তৰাষ্ট্ৰ, জাৰ্মানী, জাপান আদি দেশতো একাধিক টেডী বিয়েৰৰ বিশ্ববিখ্যাত সংগ্ৰহালয় আছে। ❖


# Slope Point

■ Dolly Choudhury



Slope Point is a surprising landscape located in the extreme south of New Zealand at 4,803 km from the South Pole. In this area trees grow almost horizontally! The reasons behind this unusual horizontal growth of the trees in this place are the hostile weather conditions. Strong rains beat down the area and violent winds that blow in from the Pacific Ocean sweep across the plains throughout the year. In order to adjust themselves to the movement of the gusts the trees end up twisting their trunks. This extremely isolated place is used for sheep farming with no nearby houses. It is populated by only a few shepherds. There is in fact no road to Slope Point. It can be reached by 30 minutes walk from the nearby road. ❖

# Mirror butterfly : Greta Oto




Butterflies are very beautiful with attractive and pretty patterns on their wings. These patterns work as camouflage from predators. But Greta Oto, the 'glasswing butterfly' uses its extraordinary appearance of having two mirror wings as a way of survival. This species is found throughout an area covering Central and South America. The wings of this species of butterfly appear invisible with the exception of black veins and reddish–brown borders. The microstructures of the wings are arranged in such a way that there are low absorption and reflection of light. The light simply goes through them. Greta Oto has one more interesting feature, after consuming nectar from plants that contain toxic alkaloids, it stores those toxins in its body making itself toxic to predators such as birds. Despite its enchanting appearance, this butterfly is a 'flying poison' to its predators. ❖

# Silas Marner : The Weaver of Raveloe

■ Pallavi Dutta

*(Continued from April Issue, 2022)*

Silas continues his life in Raveloe for the next fifteen years as a recluse. He replaces interaction with the village folks with his hard earned money. Counting his gold coins gives him peace and contentment. He was leading a quiet life when an unfortunate turn of events turns his life upside down.




The village Squire, a widower, has two sons. The elder son Godfrey, although, not a very bad fellow, somehow falls into a trap and gets secretly married to an unworthy woman. He soon regrets it because she is an opium addict. He is afraid that his father may discover this and disinherit him. Dunstan, the younger son of the Squire, takes advantage of this secret and never fails to blackmail his elder brother.

Dunstan is a scheming and cruel person. Utterly lazy, he can go to any length to manipulate situations to his benefit. He threatens Godfrey that he would reveal his secret marriage to their father and demands money. Godfrey even collects rent from the Squire's tenants without the latter's knowledge to meet his brother's demand. Dunstan's manipulative nature succeeds in convincing his brother to sell his favourite horse Wildfire. Godfrey reluctantly agrees and lets Dunstan sell the horse on his behalf.

Thus, early in the morning Dunstan takes the horse to the hunt where he is supposed to meet the buyers. On his way he comes across Silas' cottage and for once he thinks of borrowing money from the weaver but his evil nature gets his better off and he decides to sell the horse in order to vex his brother. At the hunt, a man named Bryce readily agrees to buy the horse if it is taken to his stable at Batherley safe and sound. But instead of handing over Wildfire to Bryce, Dunstan foolishly participate in the hunt to earn some extra money and accidentally kills the horse while jumping over a fence. Realising that no one has seen him fall, he leaves the dead horse behind and sets out towards Raveloe on foot all the time desperately thinking of a way of returning the money he would have received by selling the horse to Godfrey.

As he nears Raveloe, it is already dark and misty. Once again he passes by Silas' cottage near the Stone Pit and the possibility of procuring the weaver's money keeps on growing in his mind so much that now he does not mind breaking the news of Wildfire's death to Godfrey. So he decides to stop by Marner's cottage. His eyes catches certain gleams of light that he presumes to have proceeded from the latter's cottage and he walks towards it. ❖

# মৃত্যুঞ্জয়

■ আনতাৰা মুবাছছিৰা হক খন্দকাৰ
নৱম শ্ৰেণী

*"মৃত্যুওতো এটা শিল্প*
*জীৱনৰ কঠিন শিলত কটা*
*নিৰ্লোভ ভাস্কৰ্য্য।"*

কাৰ কবিতা আছিল এয়া, কিয় পৰা নাইনো মনত তাইৰ! কথা মনত নথকাটোও তাইৰ বেমাৰৰে লক্ষণনে? ঘামি উঠিছে তাই। সাৰে আছে নে টোপনিত আছে ধৰিব পৰা নাই। হয়তো আজিও তাই গম নোপোৱাকৈয়ে তাইক দিয়া হৈছে নিদ্ৰাবড়ি। নিদ্ৰাবড়ি নে মৃত্যুবড়ি সেয়া! বাৰে বাৰে শুনা পাইছে তাই ডাক্তৰৰ সেই বাক্যশাৰী—"আপোনালোকে ইমান দেৰি কিয় কৰিলে? আমি এতিয়া নিৰুপায়। খুব বেছি হয়তো ছমাহমান...।" ছমাহ, মাত্ৰ ছমাহ। এই ছমাহৰ কোনো এটি মুহূৰ্তত মৃত্যুৱে তাইক লৈ যাব বহু দূৰলৈ। কিন্তু কিয়, এতিয়ালৈকেতো পাৰেই হোৱা নাই তাইৰ জীৱনৰ পোন্ধৰটা বসন্ত। মনৰ ভিতৰতে সাঁচি ৰখা সেই সপোনবোৰ, সেই সপোনবোৰৰ কি হ'ব! কিমান যে সপোন আছিল তাইৰ, তায়ো কৰিছিল এটি ৰঙীন ভৱিষ্যতৰ কল্পনা। কিন্তু নিয়তিয়ে নিদিয়ে তাইৰ সপোনবোৰক এটি সুযোগ। পোন্ধৰটা মমবাতি থকা কেক কাটিবলৈ নাপাওঁতেই গুচি যাব লাগিব নেকি তাইক মৃত্যু নামৰ এই ৰহস্যময়ী সাঁথৰৰ ওচৰলৈ। ভাগৰ লাগিছে তাইৰ, উশাহটো চুটি হৈ আহিব ধৰিছে। আস্! বুকুখন বিষাইছে। মৃত্যু ওচৰত নেকি তাইৰ, একেবাৰে ওচৰতনে! নাই, এয়া মৃত্যু হ'ব নোৱাৰে। মৃত্যু এনে তৃপ্তিদায়ক হ'ব নোৱাৰে। এয়া কাৰ হাতৰ স্পৰ্শ তাইৰ কপালত। হাতখন অকণমান কঠিন যেন লাগিছে। কিন্তু এই কঠিনতাৰ মাজতো অন্য এক মাধুৰ্য্য লুকাই আছে। দেউতাৰ হাত নেকি এয়া! হয়, এয়া দেউতাৰেই হাত। হাতখন কঁপিছে, দেউতাই কান্দিছে নেকি! তাইক অনবৰতে সাহস দি থকা দেউতাই কান্দিছে। মা, মা ক'ত? মাও বহি আছে নেকি তাইৰ লগত গোটেই ৰাতি উজাগৰে।



"মা, মা...।"

"মাজনী, কি হ'ল?"

"তুমি ইয়াতে আছানে, মা?"

"অ' মাজনী, মই ইয়াতে আছোঁ। তুমি এতিয়াও সাৰে আছা? তোমাকতো এতিয়ালৈকে...।"

"নাই মা, মই শুব নিবিচাৰোঁ।"

"কিন্তু মাজনী, এনেকৈ তোমাৰ কষ্ট আৰু বাঢ়িব। তুমি শুবলৈ যত্ন কৰা।"

"নাই মা, তোমালোকে মোক জোৰ নকৰিবা। মোৰ ভয় লাগে। টোপনিতে যদি মই...।"

আস্! তাইৰ গাত লাহেকৈ কোনোবাই কিবা খোঁচ মাৰি দিয়া যেন লাগিছে। জোৰকৈ খামোচ মাৰি ধৰিছে তাই মাকৰ হাতখন। এয়া কি, মাকৰ হাতখনো কঁপিছে। আস্! এনে অৱশ কিয় লাগিছে তাইৰ। এয়া মৃত্যু নেকি!

বহু সময়ৰ পাছত টোপনিৰ পৰা সাৰ পাই উঠিছে তাই। বাহিৰত পোহৰ, ৰাতিপুৱাৰ মলয়া বতাহজাকে তাইক অভিনন্দন জনাইছে। কিহৰ বাবে? মাক-দেউতাকৰ মতে মৃত্যুক কোনেও জয় কৰিব নোৱাৰে। আজি তেন্তে কিয় তাইক মৃত্যুঞ্জয় যেন লাগিছে। প্ৰতিটো দিনে তাই মৃত্যুৰ লগত যুঁজি জীয়াই আছে নেকি! খিৰিকীৰে এটি পখিলা সোমাই আহিছে তাইৰ কোঠালিৰ ভিতৰলৈ। ইমান ধুনীয়া এই পখিলাটি, ইমান আনন্দিত।

পখিলাটিৰ এটি ছবি আঁকিবলৈ খুব মন গৈছে তাইৰ। বহুদিন ধৰি তাই ধুনীয়া বস্তু দেখা নাছিল নেকি? পাহৰি গৈছিল নেকি তাইৰ মনে সৌন্দৰ্য্য উপভোগ কৰিবলৈ ! এই পখিলাটিয়ে ইতিকিং কৰিছে নেকি তাইক ! ক'ৰবাত পঢ়িছিল তাই ইহঁতৰ জীৱনকাল মাত্ৰ দুসপ্তাহৰ পৰা চাৰি সপ্তাহমান হয়। তথাপি ইহঁত ইমান সুখী। আৰু তাই জীৱনৰ চৈধ্যটা বছৰ অতিক্ৰম কৰি অহাৰ পাছতো ইমান দুৰ্বল। জীৱশ্ৰেষ্ঠ মানুহ হৈও ইমান ভীৰু। পখিলাটিয়ে যেন তাইক ক'ব—"মৃত্যুঞ্জয় নাই বুলি ভাবিছা নেকি?"

সঁচাকৈয়ে, এই প্ৰাণীবোৰ সঁচাকৈয়ে মৃত্যুঞ্জয়।

বিছনাখনৰ পৰা লাহে লাহে নামিছে তাই, মেজৰ ওপৰত থকা কিতাপ-বহীৰ মাজৰ পৰা উলিয়াই লৈছে তাইৰ ছবি আঁকা বহী, ৰঙৰ ব্ৰাছ। দুৱাৰৰ কাষতে থকা মাক-দেউতাকলৈ চাই মিচিকিয়াই হাঁহি এটা মাৰিলে তাই। ইমান ভেঙুচালি সহ্য কৰিব নোৱাৰি পখিলাটিৰ। মাক-দেউতাকেও চাইছে ছোৱালীজনী অতদিনৰ মূৰত হাঁহিছে। নিৰৱে লক্ষ্য কৰিছে তাইৰ প্ৰচেষ্টা, মৃত্যুঞ্জয়ী হোৱাৰ। ❖

# অলিম্পিকত ক্ৰিকেট

■ **বিশাল চৌধুৰী**
অষ্টম শ্ৰেণী



শিৰোনামটো পঢ়িয়েই কিছু আচহুৱা যেন লাগে। কিয়নো, বিশ্বৰ সৰ্ববৃহৎ ক্ৰীড়া মহোৎসৱ অলিম্পিক, যাক 'দি গ্ৰেটেষ্ট শ্ব' অন আৰ্থ' বুলি জনা যায়। এই সমাৰোহত এতিয়ালৈ মাত্ৰ এবাৰেই ক্ৰিকেট খেল অন্তৰ্ভুক্ত কৰা হৈছিল। ১৯০০ চনৰ পেৰিছ অলিম্পিকত অনুষ্ঠিত হৈছিল এই ক্ৰিকেট প্ৰতিযোগিতা। ভেলড্ৰম ডে ভিনচেনছ ষ্টেডিয়ামত মাত্ৰ দুটা দলৰ মাজত অলিম্পিক ইতিহাসৰ একমাত্ৰ ক্ৰিকেট মেচখন অনুষ্ঠিত হৈছিল। ১৯-২০ আগষ্টত দুদিনীয়াকৈ অনুষ্ঠিত উক্ত মেচখনত প্ৰতিদ্বন্দ্বিতা কৰিছিল গ্ৰেট বৃটেইন আৰু ফ্ৰান্সে। প্ৰথমে বেলজিয়াম আৰু নেডাৰলেণ্ডছেও এই প্ৰতিযোগিতাত অংশ লোৱাৰ কথা আছিল, কিন্তু অন্তিম মুহূৰ্তত দেশ দুখনে নাম প্ৰত্যাহাৰ কৰাত ফ্ৰান্স আৰু বৃটেইনৰ মাজত একমাত্ৰ খেলখন অনুষ্ঠিত হয়। অৱশ্যে দেশ দুখনৰ ক্ৰিকেট দল দুটাক ৰাষ্ট্ৰীয়ভাৱে নিৰ্বাচিত কৰা হোৱা নাছিল। বৃটেইনক প্ৰতিনিধিত্ব কৰিছিল ডেভন এণ্ড ছমাৰছেট ৱাণ্ডাৰাৰ্ছ নামৰ ক্লাবটোৱে। আকৌ ফ্ৰান্সৰ হৈ খেলিছিল ফ্ৰেন্স এথলেটিক ক্লাব ইউনিয়নে। মেচখনৰ প্ৰথমদিনা গ্ৰেট বৃটেইনে প্ৰথমে বেটিং কৰি ১১৭ ৰাণ কৰিবলৈ সক্ষম হয়। তাৰ বিপৰীতে ফ্ৰান্সে ৭৮ ৰাণতে অল আউট হয়। দ্বিতীয় ইনিংছত গ্ৰেট বৃটেইনে ৫ উইকেটৰ বিনিময়ত ১৪৫ ৰাণ কৰি ইনিংছ ঘোষণা কৰে। এনেদৰে ফ্ৰান্স দলটোক জয়ৰ বাবে প্ৰয়োজন হৈছিল ১৮৫ ৰাণৰ। কিন্তু বৃটেইনৰ বলিঙৰ সন্মুখত তিষ্ঠিব নোৱাৰি ফ্ৰান্স দলটো ২৬ ৰাণতে অল আউট হয়। এনেদৰে বৃটেইনে ১৫৮ ৰাণত মেচখনত জয়লাভ কৰে। অলিম্পিকৰ এই ঐতিহাসিক মেচখনত বিজয়ী হোৱা বৃটেইন দলৰ অধিনায়ক আছিল চি বি কে বীচচ ক্ৰ'ফটে আৰু ফ্ৰান্সৰ নেতৃত্ব দিছিল ফিলিপ টমালিনে। ইয়াৰ পাছত আৰু অলিম্পিকত ক্ৰিকেট মেচ অনুষ্ঠিত হোৱা নাই। ❖

# জৈৱিক যুদ্ধ

■ আদিত্য কাশ্যপ
অষ্টম শ্ৰেণী




জৈৱিক যুদ্ধ হৈছে বৰ্তমান পৃথিৱীৰ বিভিন্ন দেশসমূহে চলাই থকা এক গোপন আৰু ভয়াৱহ যুদ্ধ পদ্ধতি, য'ত জৈৱিক মাৰণাস্ত্ৰ ব্যৱহাৰ কৰি শত্ৰুপক্ষৰ বিস্তৰ ক্ষতিসাধন কৰা হয়। বৰ্তমান পৃথিৱীত ত্ৰাসৰ সৃষ্টি কৰা ক'ৰোনা ভাইৰাছৰ দ্বাৰা সৃষ্টি হোৱা ক'ভিড-১৯ৰ সংক্ৰমণো এনে প্ৰস্তুতিৰে অভাৱনীয় পৰিণাম বুলি অনুমান কৰা হৈছে। জৈৱিক বিষাক্ত পদাৰ্থৰ (Toxin) দ্বাৰা বিভিন্ন ৰোগৰ সংক্ৰমণ ঘটাই শত্ৰু দেশৰ মানুহ, পশুধন বা খাদ্যশস্যৰ অনিষ্ট সাধন কৰাই জৈৱিক যুদ্ধৰ মুখ্য উদ্দেশ্য। বেক্টেৰিয়া, ভাইৰাছ, ভেঁকুৰ আদিক সংক্ৰামক অভিকৰ্তা (vector) হিচাপে বাছি লৈ পানী, মাটি, বায়ুমণ্ডল আদিৰ মাজেৰে এই অভিকৰ্তাসমূহ বিয়পি পৰে। এনে যুদ্ধৰ শীতল প্ৰতিযোগিতা দেশসমূহৰ মাজত বৃদ্ধি পাইছে। জৈৱিক যুদ্ধ অস্ত্ৰ যুদ্ধতকৈ ভয়াৱহ আৰু সৰ্বাত্মক হৈ পৰাৰ কেইবাটাও কাৰণ আছে। এই যুদ্ধ অত্যন্ত গোপনভাৱে সংঘটিত কৰিব পাৰি। এবাৰ আৰম্ভ কৰাৰ পাছত ই নিজে নিজে বিয়পি যায়।

আমেৰিকা যুক্তৰাষ্ট্ৰ, ইংলণ্ড, ফ্ৰান্স, চীন, জাপান, জাৰ্মানী, কানাডা আদি বহুতো দেশৰ বৃহৎ বৃহৎ পৰীক্ষাগাৰত এই যুদ্ধৰ প্ৰস্তুতি অহৰহ চলি আছে। ১৯৪০ চনত জাপানে চীনৰ নিংবো চহৰত প্লেগৰ বীজাণু সিঁচি দিছিল। আটাইতকৈ মাৰাত্মক জৈৱিক অস্ত্ৰসমূহৰ ভিতৰত এনথ্ৰাক্স, বুটুলিনিয়াম, ভেৰিয়না মেজৰ, ইব'লা, প্লেগ, মাৰবাৰ্গ ভাইৰাছ, বুন্যা ভাইৰাছ, অফ্লাট'ক্সিন আদিয়েই প্ৰধান। এইবোৰৰ সংক্ৰমণৰ পাছত মৃত্যুৰ সম্ভাৱনা ৩০ৰ পৰা ৯০%লৈ হ'ব পাৰে। ইয়াৰ কিছুমানৰ মাত্ৰ ১ গ্ৰামে ১ মিলিয়ন মানুহৰ মৃত্যু মাতিব পাৰে। ইহঁতৰ বেছিভাগেই গোন্ধহীন, সোৱাদহীন হোৱা বাবে ধৰা পেলোৱা বৰ কষ্টকৰ। ২০০১ চনৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৱাশ্বিংটন, নিউয়ৰ্ক আৰু ফ্ল'ৰিডাত হোৱা এনথ্ৰাক্স আক্ৰমণ নিশ্চয় সকলোৰে মনত আছে। আমেৰিকাৰ ছিনেটৰ আৰু সংবাদগোষ্ঠীক লক্ষ্য কৰি কৰা এই আক্ৰমণেই এনথ্ৰাক্স বিভীষিকাৰ প্ৰমাণ। এনথ্ৰাক্সৰ অদৃশ্য ৰেণু চিঠিৰ মাজত ভৰাই ডাকযোগে পঠিয়াই দিছিল। বিভীষিকাময় ২২ খন চিঠিয়ে ৫ জনৰ মৃত্যু ঘটাইছিল আৰু ১৭ জনক আক্ৰান্ত কৰিছিল।

প্ৰথম বিশ্বযুদ্ধৰ পাছতে ১৯২৫ চনত জেনেভা প্ৰ'ট'কলত জৈৱিক যুদ্ধ নিষিদ্ধ ঘোষণা কৰা হৈছিল। ইণ্টাৰনেছনেল হিউমেনেটেৰিয়ান ল' আৰু বহুবোৰ আন্তঃৰাষ্ট্ৰীয় চুক্তিয়ে এনে যুদ্ধত প্ৰতিবন্ধকতা আৰোপ কৰিছে। কিন্তু কাৰ্য্যত সি সফল হোৱা নাই। পৰীক্ষাগাৰত সৃষ্টি হোৱা বেক্টেৰিয়া, ভাইৰাছৰ দৰে দুৰ্দান্ত, অদৃশ্য, ঘাতক জৈৱিক যুদ্ধৰ দপদপনিত মানৱ জাতি অসহায় হৈ পৰিছে। সময় থাকোঁতেই ৰাষ্ট্ৰসংঘই কঠোৰ নীতি বলৱৎ নকৰিলে জৈৱিক যুদ্ধই ভয়াৱহ ধ্বংসৰ ইতিহাস ৰচিব। ❖

# ‘চামদ্ৰূপ জংখাৰ’—এক সুন্দৰ অভিজ্ঞতা

■ নিনাদ নৈঋত প্ৰকাশ
পঞ্চম শ্ৰেণী



ব্যক্তিত্ব আৰু জ্ঞান বিকাশৰ আন উপাদানসমূহৰ লগতে ভ্ৰমণৰ অভিজ্ঞতাও গুৰুত্বপূৰ্ণ উপাদান। প্ৰাকৃতিক পৰিবেশ, লোকাচাৰ, সামাজিক ৰীতি-নীতি, জীৱনশৈলী, ইতিহাস আদি পৃথিৱীৰ প্ৰতিখন ঠাইৰে ভিন ভিন হয়। এইবোৰৰ ব্যাৱহাৰিক জ্ঞানে প্ৰতিজন মানুহৰ জ্ঞান আৰু ব্যক্তিত্ব বিকাশত যোগাত্মক অৰিহণা যোগায়। বৰ্তমানলৈকে নিচেই কমসংখ্যক ঠাই ভ্ৰমণ কৰাৰ সুযোগ হৈছে যদিও এই ঠাইবোৰৰ ভিতৰত আমাৰ প্ৰদেশৰ গাতে লাগি থকা দেশ ভূটানৰ চামদ্ৰূপ জংখাৰ নামৰ ঠাইখন মোৰ ভ্ৰমণ অভিজ্ঞতাৰ এক উল্লেখযোগ্য স্থান।

এই ঠাইখনৰ মোৰ ভ্ৰমণ অভিজ্ঞতা এনে ধৰণৰ—ভ্ৰমণৰ দিন আছিল ২০১৯ চনৰ জুলাই মাহৰ ২২ তাৰিখ। মা-দেউতা, মই আৰু দেউতাৰ বন্ধু এজনৰ পৰিয়ালৰ সৈতে আমি দুটা পৰিয়ালে লগ হৈ ২২ জুলাইত যাত্ৰা কৰিছিলোঁ চামদ্ৰূপ জংখাৰলৈ বুলি। ঘৰৰ পৰা ৰাতিপুৱা প্ৰায় ৭ মান বজাত ৰঙিয়া-তামুলপুৰ হৈ গৈ দুপৰীয়া প্ৰায় ১২-৩০ বজাত আমি ভূটানত উপস্থিত হৈছিলোঁ। পহৰা চকীত থকা প্ৰশাসনিক বিষয়াৰ পৰা অনুমতি লৈ আমি চামদ্ৰূপ জংখাৰ চহৰখনৰ ভিতৰত প্ৰৱেশ কৰিছিলোঁ। আগতীয়াকৈ বুক কৰি থোৱা হোটেলখনলৈ গৈ দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰি কিছু সময় জিৰণি লৈছিলোঁ। সন্ধিয়া সময়ত আমি ওলাই আহি খোজ কাঢ়িয়ে সেই অঞ্চলটো চালোঁ। পিছদিনাখন পুৱাতে উঠি গাড়ী লৈ আমি চহৰখনৰ কিছু নিলগত থকা আটাইতকৈ ডাঙৰ মনেষ্ট্ৰিটো চাবলৈ ৰাওনা হ’লোঁ। মনেষ্ট্ৰিটো দেখিবলৈ বৰ ধুনীয়া। ইয়াৰ বেৰবোৰত তেওঁলোকৰ কলা-সংস্কৃতিবোৰ বিভিন্ন ৰং খটুৱাই চিত্ৰৰ সহায়েৰে উপস্থাপন কৰিছে। এই মনেষ্ট্ৰিটোত বৌদ্ধ সন্ন্যাসীসকলে তাতে থাকি শিক্ষা গ্ৰহণ কৰাৰ লগতে পূজা-পাতলো কৰে। চালে চকুৰোৱা এই মনেষ্ট্ৰিটো আৰু ইয়াৰ আৱাসবোৰ আমি কেইবাবাৰো ঘূৰি-পকি চালোঁ আৰু ইয়াৰ স্মৃতিবোৰ সজীৱ কৰি ৰাখিবৰ বাবে ফটো উঠিলোঁ। ইয়াৰ ওচৰে-পাঁজৰে সৰু-বৰ আৰু কেইবাটাও মনেষ্ট্ৰি আছে, সেইকেইটাও আমি দৰ্শন কৰিলোঁ। এই মনেষ্ট্ৰিবোৰৰ স্থাপত্য-ভাস্কৰ্য্যবোৰ চাই আমি সঁচাকৈ অভিভূত হ’লোঁ। চহৰখনত থকা আদালত, পশু চিকিৎসালয় আদিবোৰ বাহিৰৰ পৰাই আমি দৰ্শন কৰিলোঁ। এই ঘৰসমূহো ধুনীয়া স্থাপত্য-ভাস্কৰ্য্যৰে নিৰ্মিত, যেন একো একোটা মনেষ্ট্ৰিহে। ঘূৰি-পকি আহি আমি পুনৰ হোটেল পালোঁ। হোটেলত অলপ জিৰণি লৈ সন্ধিয়া খোজ কাঢ়ি আমি পুনৰ চহৰখন চাবলৈ গ’লোঁ। চহৰখনৰ মাজ-মজিয়াতে এটা মনেষ্ট্ৰি আছে। সেইটোৰ ভিতৰত সোমাই ইয়াৰ কলা-কৃষ্টিবোৰ চালোঁ। ইয়াৰ দেৱালবোৰত সৰু-বৰ কেইবাটাও প্ৰাৰ্থনা চেৰেকী (Prayer wheel) আছে, এইবোৰ ঘূৰাই ঘূৰাই তেওঁলোকে প্ৰাৰ্থনা কৰে। সন্ধিয়াৰ সময়খিনি অতি ভাল লগা সময়। চহৰখনৰ বাসিন্দাবোৰৰ লগতে পৰ্য্যটকবোৰেও ওলাই আহি ৰাস্তাতে খোজ কাঢ়ি থাকে। আমি থকা হোটেলখনৰ ঠিক

পিছফালেৰে এখন সৰু নৈ বৈ গৈছে, সেই নৈখন আমি পিছদিনা অৰ্থাৎ ২৪ তাৰিখে চাবলৈ গ'লোঁ। শিলৰ মাজে মাজে জিৰি জিৰিকৈ বৈ অহা নদীখনৰ ওপৰত এখন ওলমা দলং আছে। এই দলংখনত ৰং-বিৰঙৰ বহুত বৌদ্ধ ধৰ্মৰ পতাকা আঁৰি থোৱা আছে। আমি কেইবাবাৰো দলংখনৰ ইমূৰৰ পৰা সিমূৰলৈ অহা-যোৱা কৰিলোঁ আৰু বিভিন্ন ভংগীত ফটো উঠিলোঁ। ইয়াৰে কিছু নিলগত সৰু ল'ৰা-ছোৱালীয়ে খেলিব পৰা পাৰ্ক এখনো আছে। তালৈ গৈ মই আৰু মোৰ দেউতাৰ বন্ধুজনৰ ল'ৰাটোৱে কিছু সময় খেলিলোঁ। তাৰ পাছত হোটেললৈ গৈ দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰি ঘৰ অভিমুখে ৰাওনা হ'লোঁ।

এই ঠাইখনৰ কেতবোৰ বিশেষত্ব মন কৰিবলগীয়া। ইয়াৰ যান-বাহন চলাচলৰ নিয়ম-নীতিবোৰ লক্ষ্যণীয়। কোনো বাহন য'তে-ত'তে ৰাখিব নোৱাৰে। প্ৰশাসনিক নীতি-নিয়মবোৰ ইয়াৰ বাসিন্দাসকলে অতি সুন্দৰভাৱে পালন কৰে। ইয়াৰ ৰাস্তা-ঘাটবোৰো বৰ চাফ-চিকুণ। ইয়াৰ বাসিন্দাবোৰে জাবৰ-জোঁথৰ, প্লাষ্টিক, থু-খেঁকাৰ আদি য'তে-ত'তে পেলাব নোৱাৰে। ঠায়ে ঠায়ে প্ৰশাসনে ডাষ্টবিনৰ ব্যৱস্থা কৰি দিছে, তাতেহে পেলাব পাৰে। প্ৰতিখন হোটেল, দোকান, ঘৰ আদিৰ সন্মুখত সৌন্দৰ্য্যবৰ্দ্ধনৰ বাবে বিভিন্ন ফুলৰ টাব সুন্দৰভাৱে সজাই থোৱা আছে। চামদ্ৰূপ জংখাৰলৈ গৈ তাত দেখা পাৰ চৰাইবোৰৰ কথা নক'লে মোৰ লেখাটো আধৰুৱা হৈ ৰ'ব। কিয়নো চহৰখনত প্ৰবেশ কৰিয়ে দেখিলোঁ লাইটৰ তাঁৰ, গছ, মানুহৰ ঘৰৰ মূধচ আদিবোৰত হাজাৰ হাজাৰ পাৰ চৰাই পৰি আছে। মনত কৌতূহল হোৱাত স্থানীয় বাসিন্দা এজনক গৈ সোধাত তেওঁ ক'লে যে শান্তিৰ প্ৰতীক এই পাৰ চৰাইবোৰক তাত কোনেও নাখায় বা নামাৰে। যদিহে এই কাৰ্য্য কোনোৱে কৰে তেন্তে তেওঁ আইনমতে দণ্ডনীয় হ'ব। যিহেতু ভূটান এখন ৰাজতান্ত্ৰিক দেশ, সেয়েহে ইয়াৰ ৰজা আৰু ৰাণীৰ প্ৰতি সন্মান জনাই প্ৰতিখন ব্যৱসায়িক প্ৰতিষ্ঠানে ৰজা-ৰাণীৰ ফটো একোখন বেৰত আঁৰি থৈ দিয়ে।

এনেদৰে সৰু-বৰ বহুতো ঠাই এতিয়ালৈকে ভ্ৰমণ কৰাৰ সুযোগ হৈছে আৰু এই ভ্ৰমণবোৰৰ পৰা মই যথেষ্ট জ্ঞান আৰু অভিজ্ঞতা আহৰণ কৰিছোঁ। কিতাপৰ জ্ঞান দৰকাৰী যদিও এনেবোৰ ভ্ৰমণ অভিজ্ঞতাই ব্যৱহাৰিক জ্ঞান আহৰণত যথেষ্ট সহায় কৰে।

মহানগৰৰ অতি ব্যস্ততাপূৰ্ণ জীৱনৰ পৰা আহৰি বিচাৰি আমি এনেবোৰ ঠাইলৈ যাব পাৰোঁ য'ৰ পৰা আমি জ্ঞান আহৰণৰ উপৰি মানসিক শান্তি লাভ কৰিব পাৰোঁ। নিচেই কম সংখ্যক মানুহৰ জনবসতি, পাহাৰীয়া প্ৰাকৃতিক পৰিৱেশৰ মাজত সময় অকণ কটাবলৈ পাই মই যথেষ্ট আনন্দিত হৈছিলোঁ আৰু পাঠকসকলক জনাবলৈ পাই মই সুখী হৈছোঁ যাতে তেওঁলোকেও এনেবোৰ ঠাইলৈ অৱসৰ বিনোদনৰ বাবে যাব পাৰে। ❖

## এইখনি গাঁও বুকুৰ আপোন



# ম'বাইল

■ বিমান কলিতা
অষ্টম শ্ৰেণী

ম'বাইল, ম'বাইল, ম'বাইল
মাৰ গালি—দেউতাৰ বকনি
ম'বাইল নহ'লে যে
পঢ়িবকে নোৱাৰোঁ আমি।
কি কৰিম, কি নকৰিম
ভাবিকে নাপাওঁ,
স্কুলৰ যে লিখনিখিনি
ম'বাইলতে পাওঁ। ❖

# হে শ্বহীদ প্ৰণামো তোমাক

■ কংকণা ডেকা
নৱম শ্ৰেণী

দেশৰ বাবে প্ৰাণ আহুতি দি,
তুমি শ্বহীদ হ'লা।
দেশৰ স্বাৰ্থত ৰণভূমিত
নিজৰ জীৱন উছৰ্গা কৰিলা।
তোমাৰ বুকুত আছিল সৎ সাহস
আৰু আছিল দেশপ্ৰেম।
সেয়ে হয়তো ৰণভূমিত
নধৰিলা একো ভেম।
তোমাক সকলোৱে স্মৰণ কৰে
নকৰে কোনেও হেলা
দেশ মাতৃয়ে তোমাক সোঁৱৰে
ক'লৈনো তুমি গ'লা?
হে শ্বহীদ প্ৰণামো তোমাক। ❖
*(২০২১ বৰ্ষত শ্বহীদ দিৱস উপলক্ষে ৰচিত এটি কবিতা)*

# I Will Rise Again

■ Madhusmita Doley
Class X

Bloosoms of the tree
screaming of birds
The words want to say the hills
I'm with the shadow of earth
It's hard to explain
What is the destiny of life?

I'm crying
How can I accept the defeat of loss?
Oh God! I'm not a stranger
To solve every mystery of God!

Ugly! I'm not ugly
Pretty! I'm not so pretty
Beauty! What is beauty?
Meaningless soul...!

Save me! Save me!
From the bully of brutality
Dead and Gone
Out of my control.

Whose the king!
Whose the boss!
I can do that things
You can't thought.

No no I'm not only
Born dead
I can relieve myself again! ❖

# ৰমেন আৰু পৰেশ


■ **বৰষা পাঠক**
পঞ্চম শ্ৰেণী

ৰমেন অসম জাতীয় বিদ্যালয়ৰ তৃতীয় শ্ৰেণীৰ ছাত্ৰ। মাক-দেউতাক উভয়ে চৰকাৰী চাকৰি কৰা বাবে গুৱাহাটীতে থাকে। ৰমেনৰ কিন্তু ককাক-আইতাক আৰু পেহীয়েক গাঁৱতে থাকে। ৰমেনে স্কুল বন্ধ পালে প্ৰায়েই মাক-দেউতাকৰ লগত গাঁৱৰ ঘৰলৈ যায়। গাঁৱৰ ল'ৰা-ছোৱালীৰ লগত খেলি ভাল পায়। চাৰিওফালে আহল-বহল মুকলি ঠাই। গুৱাহাটী চহৰৰ নিচিনা নহয়। গাঁৱৰ ল'ৰা পৰেশক ৰমেনৰ খুব ভাল লাগিছিল। পৰেশে গাঁৱৰ স্কুলতে পঢ়ে। গাঁৱলৈ যাওঁতে পৰেশ ৰমেনৰ বন্ধু হৈ পৰিছিল। ৰমেনে প্ৰায়েই পেহীয়েকৰ পৰা পৰেশৰ খবৰ লৈছিল। ক'ৰোনা মহামাৰীৰ বাবে ৰমেনহঁতে বহুদিন ঘৰলৈ যাব পৰা নাছিল। পৰিস্থিতি উন্নত হোৱা বাবে ৰমেনৰ মাক-দেউতাকে এইবাৰ মাঘ বিহুত ঘৰলৈ যোৱাৰ সিদ্ধান্ত লৈছিল। ৰমেনৰ দেউতাকে মাক-দেউতাক আৰু পেহীয়েকৰ বাবে নতুন কাপোৰ কিনিছিল। লগতে ৰমেনৰ কথামতে পৰেশৰ বাবেও এযোৰ নতুন কাপোৰ আনিছিল। ৰমেনৰ কি যে আনন্দ। ঘৰলৈ গৈয়েই সি বন্ধুক নতুন কাপোৰযোৰ দিব। সি যে কি আনন্দ পাব ভাবিলেই ভাল লাগে। ৰমেনে মাক-দেউতাকৰ লগত মাঘ বিহুৰ উৰুকাৰ দিনাখনেই ৰাতি গাঁৱৰ ঘৰ পালেগৈ। কি যে তাৰ আনন্দ। ৰাতিপুৱাই সি পৰেশক বিহুৰ বাবে অনা নতুন কাপোৰযোৰ দিব।

ৰাতিপুৱা চাহ-জলপান খাই ৰমেনে মাকৰ পৰা নতুন কাপোৰযোৰ লৈ পৰেশৰ ঘৰলৈ যাবলৈ ওলাল। তাকে দেখি পেহীয়েকে ক'লে তই আৰু পৰেশৰ ঘৰলৈ যাব নালাগে বোপাই, পৰেশ এই সংসাৰত আৰু নাই। বনভোজ খাই ঘূৰি আহোঁতে মটৰ দুৰ্ঘটনাত মাক-দেউতাকৰ লগতে সিও এই সংসাৰৰ পৰা গুচি গ'ল। ৰমেনে ভাবিলে, মই কি শুনিলোঁ! তাৰ দুচকুৰে পানী বৈ আহিল। পৰেশৰ বাবে নিয়া কাপোৰযোৰ কেতিয়া তাৰ হাতৰ পৰা মাটিত পৰিল গমকে নাপালে। ❖

## Ziro

■ **Nimisha Kalita**
Class X



Ziro is a town and the district headquarters of the lower Subansiri district of Arunachal Pradesh. If you are in Ziro, a visit to an Apatani tribal home is a must. The Apatanis are one of the most advanced and intriguing of Arunachal's tribal people. The fertility totems are a regular site with the long rows of houses found in Apatani villages. Living in perfect harmony with nature, for every tree that fell, five fresh saplings are planted by them. Both men and women of the community tattoo themselves. The women wear great nose plugs made of bamboo and tattoo on the face. This strange practise was initiated to disfigure them as a protective measure against the marauding Nyishi tribals who found them very beautiful. It has now been banned.

The 'Ziro Music' festival is widely known to be one of the greatest outdoor festivals in India. It is also a wonderful opportunity to showcase the musical talent of the amazing artists of North East India besides promoting tourism in the state. ❖

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

## সততে ভুল হোৱা শব্দ

| ভুল | শুদ্ধ | ভুল | শুদ্ধ |
|---|---|---|---|
| বগৰি | বগৰী | বদমাচী | বদমাচি |
| বগলি | বগলী | বদমাছ | বদমাচ |
| বছেৰেকীয়া | বছৰেকীয়া | বননী | বননি |
| বঞ্জিত | বঞ্চিত | বনিক | বণিক |
| বঠা | ব'ঠা | বনিজ | বণিজ |

## এটা শব্দত প্ৰকাশ কৰা

যিজনে নিয়মমতে খৰচ কৰে = মিতব্যয়ী।

যি সঁচা কথা কয় = সত্যবাদী।

যাৰ আগত জন্ম = অগ্ৰজ।

যি নিজে নিজে হয় = স্বয়ম্ভু।

যাৰ মূৰত চুলি নাই = তপা।

যাৰ আশ্ৰয় নাই = নিৰাশ্ৰয়।

যি কথা লগাই ফুৰে = খলুৱা।


যি পৰিণাম চিন্তা কৰি কাম কৰে = পৰিণামদৰ্শী।

যি দুই হাত সমানে চলাব পাৰে = সব্যসাচী।

যি মাটিৰ উৎপাদিকা শক্তি নাই = অনুৰ্বৰ।


যি বাঢ়িবলৈ ধৰে = বৰ্ধিষ্ণু। ❖

## তলৰ ছবি দুখনৰ ব্যক্তি দুগৰাকীক চিনাক্ত কৰা





# এজোপা কেকটাছ





আজি তোমালোকক এজোপা কেকটাছ গছৰ কাহিনী ক'বলৈ ওলাইছোঁ। তোমালোকে কেকটাছ নিশ্চয় চিনি পোৱা? এই গছবিধৰ বিশেষত্ব হ'ল যে ই নিজৰ কাণ্ডত বহু পৰিমাণৰ পানী জমা কৰি ৰাখিব পাৰে। মৰুভূমি অঞ্চলত কেকটাছ বেছিকৈ পোৱা যায়। এতিয়া কাহিনীটো শুনা। ৰিমডিম নামৰ এখন ঠাইত এখন বৰ ধুনীয়া ফুলনি আছিল। তাত ৰং-বিৰঙৰ অনেক ফুল আছিল। গোলাপ, টিউলিপ, ইন্দ্ৰমালতী, সূৰ্য্যমুখী কিমান যে ফুল! সেই ধুনীয়া ফুলনিখনতে এজোপা কেকটাছ গছো আছিল। ধুনীয়া ধুনীয়া ফুলবোৰৰ সৌন্দৰ্য্যৰ তুলনাত কেকটাছজোপা সুন্দৰ নাছিল। তিনিটা কাণ্ড থকা কেকটাছজোপাৰ দীঘল আৰু গোল কাণ্ডবোৰ দেখাত একোটা গদাৰ দৰে আছিল। কেকটাছজোপা দেখাত কঠোৰ যেন লাগিলেও তাৰ অন্তৰখন কিন্তু বৰ মৰমিয়াল আছিল। ফুলনিখনৰ ফুলবোৰৰ সৈতে বন্ধু হ'বলৈ কেকটাছজোপাই বৰ হেঁপাহ কৰিছিল। কিন্তু ফুলনিখনৰ গোলাপ, ডেইজী, সূৰ্য্যমুখী, ইন্দ্ৰমালতী আটাইবোৰ ফুলেই নিজৰ সৌন্দৰ্য্যক লৈ ইমানেই অহংকাৰী হৈ উঠিছিল যে ফুলবোৰে কেকটাছজোপাক ঘৃণা আৰু অৱজ্ঞাৰ দৃষ্টিৰেহে চাইছিল। মালীজনে কেকটাছজোপা বাগিচাখনত ৰখাক লৈ ফুলবোৰৰ মনত বৰ অসন্তুষ্টি আছিল। নিজৰ ৰূপক লৈ গৰ্বী হোৱা ফুলবোৰে কেকটাছজোপাক উদ্দেশ্যি কোৱা কথাবোৰে কেকটাছজোপাক বৰ দুখ দিছিল। এবাৰ ৰিমডিমত বৰ খৰাং পৰিল। বৰষুণ নোহোৱাত কুঁৱা, জলাশয় আটাইবোৰ শুকাই যাবলৈ ধৰিলে। বাগিচাখনৰ মালীজনে বহুত দূৰৰ পৰা পানী আনি আনি ফুলবোৰক দিবলগীয়া হ'ল। এসময়ত পানী একেবাৰে নোহোৱা হ'ল। মানুহবোৰে ৰিমডিম এৰি আন ঠাইলৈ যাবলৈ ধৰিলে। মালীজনেও দুখমনেৰে ফুলবোৰ তেনেকৈয়ে এৰি আন ঠাইলৈ যাবলৈ বাধ্য হ'ল। পানীৰ অভাৱত ফুলবোৰ মৰহি যাবলৈ ধৰিলে। ফুলবোৰৰ বিপৰ্যয় দেখি কেকটাছজোপাৰ বৰ দুখ লাগিল। কেকটাছজোপাৰ কাণ্ডত জমা হৈ থকা পানীবোৰ পান কৰিবলৈ কেকটাছজোপাই ফুলবোৰক অনুৰোধ জনালে। আগতে কেকটাছজোপাক কৰা বেয়া ব্যৱহাৰৰ

## চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

বাবে লজ্জিত হৈ ফুলবোৰে কেকটাছৰ সহায় ল'বলৈ থেৰোগেঁৰো কৰিছিল যদিও অৱশেষত কেকটাছৰ সহায় ল'বলৈ বাধ্য হৈ পৰিল। কেকটাছৰ কাণ্ডত জমা হোৱা পানী পান কৰিয়েই গছবোৰ বাচি থাকিল। কিছুদিনৰ পাছত ৰিমডিমত বৰষুণ হ'ল। মানুহবোৰ পুনৰ উভতি আহিল। মালীজনেও ফুলবোৰ শুকাই নিঃশেষ হ'ল বুলি আশংকা কৰিয়েই আহিছিল যদিও ফুলবোৰ ভালে থকা দেখি আনন্দিত হৈ পৰিল। কেকটাছজোপাই যে ফুলবোৰৰ জীৱন ৰক্ষা কৰিলে সেই কথা মালীজনে জানিব পাৰিলে। ফুলবোৰে নিজে কৰা ভুলৰ বাবে অনুতপ্ত হৈ কেকটাছৰ ওচৰত ক্ষমা বিচাৰিলে। সূৰ্য্যমুখী ফুলে ক'লে—“আমাৰ এটা সুন্দৰ ৰূপ থাকিব পাৰে, কিন্তু তুমি হ'লা এখন অতীৱ সুন্দৰ বহল হৃদয়ৰ গৰাকী। সময়ৰ লগে লগে সৌন্দৰ্য্য হেৰাই যাব, কিন্তু তোমাৰ মাধুৰ্য্য হ'ল অজৰ-অমৰ।” ‘সূৰ্য্যমুখীৰ এই কথাই কেকটাছজোপাৰ অন্তৰ ভৰাই তুলিলে। এই ধুনীয়া কাহিনীটো আছে ৰমেন্দ্ৰ কুমাৰে ইংৰাজীত লিখা ‘The Cactus’ নামৰ কিতাপখনত। কিতাপখন ‘এজোপা কেকটাছ’ নামেৰে অসমীয়ালৈ অনুবাদ কৰিছে দীপ শইকীয়াই। ❖

## পৰুৱাই শাৰী পাতি অহা-যোৱা কৰে কিয়?



পৰুৱাই নিজৰ খাদ্যবস্তু বাহত বা গাঁতত জমা কৰি ৰাখে। যেতিয়া এটা পৰুৱাই কোনোবা এঠাইত খাদ্যবস্তুৰ সন্ধান পায়, সেই পৰুৱাটোৱে তৎক্ষণাৎ ঘূৰি আহি লগৰবোৰক জনাই দিয়েহি। খাদ্যবস্তু থকা ঠাইৰ পৰা ঘূৰি আহোঁতে পৰুৱাটোৱে বাটটো পাহৰি নাযাবলৈ শৰীৰৰ পৰা ‘ফেৰ'ম'ন’ নামৰ এবিধ গোন্ধ থকা ৰস বাটে বাটে উলিয়াই আহে; ইয়াৰ গোন্ধ অনুসৰণ কৰিয়েই পৰুৱাই ৰেল লাইনৰ দৰে শাৰী পাতি খাদ্যবস্তুৰ সৰবৰাহ কৰে আৰু নিজৰ বাহ বা গাঁতৰ পৰা অহা-যোৱা কৰে। এই গোন্ধৰ বাবে পৰুৱাই বাটো ভুল নকৰে। ❖

*তথ্য উৎস : জ্ঞান বিজ্ঞানৰ কি ক'ত কিয় কোন আৰু কেতিয়া (শান্তনু কৈশিক বৰুৱা)*

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## অসমীয়া ফকৰা-যোজনা

### এবাৰ সাপে খালে কেঁচুলৈকো ভয়




সাপ এবিধ বিষাক্ত প্ৰাণী। এবাৰ সাপে কোনো ব্যক্তিক দংশন কৰিলে তেওঁৰ সাপৰ প্ৰতি ভয় চিৰদিনৰ বাবেই ৰৈ যায়। সাপৰ প্ৰতি ভয় থকাৰ বাবেই কেঁচু এডাল দেখিলেও সাপ বুলি ভুলতে ভয় খোৱা দেখা যায়। এই যোজনাটোৰ অৰ্থ হ'ল যে কিবা এটাৰ প্ৰতি আমাৰ মনত শংকা হ'লে, সেই শংকাই আমাক সদায় পীড়িত কৰি ৰাখে।

**প্ৰায়োগিক বাক্য ঃ** মোক আৰু সাঁতোৰ শিকাৰ কথা নক'বি দেই, যোৱাবাৰ পানীত ডুবাৰ পৰা কোনোমতেহে ৰক্ষা পৰিলোঁ; এবাৰ সাপে খালে কেঁচুলৈকো ভয় দেই। ❖

### মেলিলে মন ঘোঁৰাৰ ছুটি, বান্ধিলে মন শিলৰ খুঁটি

মানুহে নিজৰ মনটোক নিজেই নিয়ন্ত্ৰণ কৰিব পাৰে। প্ৰয়োজন-অপ্ৰয়োজন, ভাল-বেয়াৰ বিচাৰ কৰি নিজৰ মনটো মেলি দিবও পাৰি, বান্ধিও ৰাখিব পাৰি। মনটোক মেলি দিলে ঘোঁৰাৰ দৰে চেঁকুৰ মাৰিব আৰু মনটোক সংযমেৰে বান্ধি ৰাখিব জানিলে ই শিলৰ খুঁটিৰ দৰে দৃঢ় হৈ পৰিব। মনে কাৰো বাধা নামানে বুলি কোৱা কথাষাৰ সঁচা হ'লেও নিজৰ বিচাৰবোধ আৰু নিয়ন্ত্ৰণেৰে মনটোক বশ কৰিব পাৰি।



**প্ৰায়োগিক বাক্য ঃ** বয়সৰ দোহাই দি তই নতুন ব্যৱসায়ত হাত নিদিবিনে, আৰম্ভ কৰচোন; জানইচোন মেলিলে মন ঘোঁৰাৰ ছুটি, বান্ধিলে মন শিলৰ খুঁটি। ❖

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

## শব্দ শিকোঁ (এদিনত এটাকৈ, এমাহৰ বাবে ৩০টা শব্দ)

## প্ৰশাসনীয় পৰিভাষা

| অসমীয়া | ইংৰাজী | অসমীয়া | ইংৰাজী |
|---|---|---|---|
| পলাতক | absconder | উকীল, অধিবক্তা | advocate |
| সাৰাংশ | abstract | চুক্তি | aggrement |
| বিদ্যায়তনিক | academic | ওৰফে | alias |
| অভিগম্যতা | access | নিষ্ঠা, আনুগত্য | allegiance |
| আনুসংগিক আহিলা | accessory | বিভাজন, বণ্টন | allocation |
| সহ-অপৰাধী | accomplice | আবণ্টন | allotment |
| হিচাপ, গণনা | account | ভাত্তা, অধিদেয় | allowance |
| হিচাপ ৰক্ষক | accountant | পঞ্জিকা | almanac |
| মহাগাণনিক | accountant general | একত্ৰীকৰণ | amalgamation |
| অধিস্বীকৃতি | accreditation | ৰাষ্ট্ৰদূত | ambassador |
| প্ৰাপ্তি স্বীকাৰ | acknowledgement | সংশোধন | amendment |
| অধিগ্ৰহণ কৰা | acquire | খাৰ-বাৰুদ | ammunition |
| প্ৰশাসন | administration | ৰাজক্ষমা | amnesty |
| প্ৰশাসক | administrator | অৰাজকতা | anarchy |
| ভেজালকৰণ | adulteration | পৰিশিষ্ট | appendix ❖ |

(অসম চৰকাৰৰ ৰাজনৈতিক বিভাগে প্ৰকাশ কৰা প্ৰশাসনীয় পৰিভাষাৰ পৰা)

## চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

# অসমৰ ঔষধি গছ

**তুলসী** : ইংৰাজী নাম : Holy Basil, বৈজ্ঞানিক নাম : *Ocimum sanctum* :



তুলসী হৈছে লেমিয়েছি (Lamiaceae) পৰিয়ালৰ অন্তৰ্গত এবিধ সুগন্ধি ঔষধি উদ্ভিদ। ইয়াক ভাৰতীয় উপমহাদেশত দেখিবলৈ পোৱা যায়। সৰু সৰু সেউজীয়া নাইবা বেঙুনীয়া পাত আৰু ক্ষুদ্ৰ ক্ষুদ্ৰ নোমেৰে আৱৰা ডালেৰে সৈতে তুলসী গছ প্ৰায় ৩০ৰ পৰা ৬০ ছেণ্টিমিটাৰ ওখ হোৱা দেখা যায়। তুলসীৰ পাত উপবৃত্তাকাৰ, প্ৰায় ৫ ছেণ্টিমিটাৰ দীঘল। তুলসীক এক পৱিত্ৰ উদ্ভিদ হিচাপে ধৰ্মীয় আৰু ঔষধি গুণগত কাৰণত ৰোপণ কৰা হয়। তুলসীৰ পৰা এবিধ সুগন্ধি তেলো নিষ্কাসন কৰা হয়। তুলসীৰ ৰস মৌৰ লগত মিহলাই খালে কাহ, কফ, জ্বৰ ইত্যাদি ৰোগৰ পৰা উপশম পোৱা যায়। তুলসীৰ ৰস খালে বমি, পানী লগা, বিষ, হিকটি আদি ভাল হয়। ইয়াৰ ৰসে মুখৰ দুৰ্গন্ধ নাশ কৰে। তুলসী গছে বায়ু বিশুদ্ধ কৰে। তুলসী গছ ৰোৱা বা থকা ঠাইৰ ওচৰে-পাঁজৰে মেলেৰিয়া, প্লেগ আদি বেমাৰ নহয় বুলি ধাৰণা কৰা হয়। ❖

**ভেকুৰি তিতা** : ইংৰাজী নাম : Turkey Berry, বৈজ্ঞানিক নাম : *Solanum torvum* : ভেকুৰি তিতা হৈছে চ'লানেছি (Solanaceae) পৰিয়ালৰ অন্তৰ্গত এবিধ ঔষধি গুণসম্পন্ন জোপোহা উদ্ভিদ। ইয়াৰ ফলৰ সোৱাদ তিতা। ভেকুৰি তিতা বহল পাতেৰে এবিধ কাঁইটীয়া গুল্মজাতীয় উদ্ভিদ। ভেকুৰি তিতাৰ গছ সাধাৰণতে ২ৰ পৰা ৩ মিটাৰ পৰ্য্যন্ত ওখ হয়। গা-গছৰ তলৰ অংশটো গোলাকাৰ, প্ৰায় ২ ছেণ্টিমিটাৰ ব্যাসৰ। এছিয়া মহাদেশৰ বিভিন্ন অঞ্চলত এইবিধ বনৌষধি উপলব্ধ। ভেকুৰিৰ শিপা, জালুক আৰু নিমখ দি খালে বহুদিনীয়া পিত্ত ৰোগ ভাল হয় বুলি জনবিশ্বাস আছে। কুষ্ঠ, হাঁপানী, বমি ভাব ইত্যাদি বিভিন্ন ৰোগত ভেকুৰি তিতা সুপথ্য বুলি গণ্য কৰা হয়। তদুপৰি ই ছালৰ বিভিন্ন ৰোগৰ পৰা হাত সাৰি থকাত সহায় কৰে আৰু ছালখন নিমজ কৰে। ❖



# চুড'কু

তলৰ আকৃতি এটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰ পৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

## চুড'কু ১৮০

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 1 | 8 | 7 | 3 | 6 | 4 | 2 | 9 | 5 |
| 2 | 3 | 9 | 5 | 7 | 8 | 6 | 4 | 1 |
| 5 | 6 | 4 | 1 | 2 | 9 | 3 | 8 | 7 |
| 7 | 1 | 8 | 9 | 3 | 2 | 4 | 5 | 6 |
| 4 | 9 | 6 | 7 | 1 | 5 | 8 | 3 | 2 |
| 3 | 2 | 5 | 8 | 4 | 6 | 1 | 7 | 9 |
| 8 | 7 | 1 | 6 | 9 | 3 | 5 | 2 | 4 |
| 6 | 5 | 2 | 4 | 8 | 7 | 9 | 1 | 3 |
| 9 | 4 | 3 | 2 | 5 | 1 | 7 | 6 | 8 |

## চুড'কু ১৮১

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | | 1 | 3 | | 2 | | | |
| | | 3 | | | 7 | | 4 | 5 |
| | | 7 | | | | | | 9 |
| | | 6 | 5 | | | | 7 | |
| 2 | | | | | | | | 1 |
| | 9 | | | | 1 | 4 | | |
| 5 | | | | | | 9 | | |
| 6 | 1 | | 2 | | | 8 | | |
| | | | 9 | | 8 | 5 | | |

## তোমালোকে জানানে?


### ক্ৰিকেট বিশ্বত ‘এছেজ’ শব্দটোৰ অৰ্থ কি?



‘এছেজ’ হ’ল ইংলণ্ড আৰু অষ্ট্ৰেলিয়াৰ মাজত হোৱা ক্ৰিকেট টেষ্ট শৃংখলাত বিজয়ী দলে অৰ্জন কৰা এক প্ৰতীকী পুৰস্কাৰ। ১৮৮২ চনত ইংলণ্ড দল যেতিয়া অ’ভেল টেষ্টত পৰাজিত হৈছিল, তেতিয়া ‘স্পৰ্টিং টাইমছ’ পত্ৰিকাত ইংলিছ ক্ৰিকেটৰ মৃত্যু হোৱা বুলি ঘোষণা কৰা হৈছিল। তাৰ পাছত ক্ষুব্ধ ইংৰাজ সমৰ্থকে এডাল ক্ৰিকেট ষ্টাম্প পুৰি তাৰ ছাইখিনি (ashes) এটা পাত্ৰত ভৰাই ৰাখিছিল। পাছৰ খেলত ইংলণ্ড দলে জয়লাভ কৰাত এই পাত্ৰটো ইংলণ্ড দলক দিয়া হয়। পৰৱৰ্তী সময়ত দল দুটাৰ যিটো দলে টেষ্ট শৃংখলাত জয়লাভ কৰে সেই দলেই ‘এছেজ’ লাভ কৰা বুলি কোৱা হৈছিল। এই প্ৰথা এতিয়াও প্ৰচলিত আছে। অৱশ্যে কেৱল ইংলণ্ড আৰু অষ্ট্ৰেলিয়াৰ মাজৰ টেষ্ট শৃংখলাৰ ক্ষেত্ৰতহে এই এছেজ শব্দটো প্ৰযোজ্য। ❖

# এখন বেছবল খেল আৰু এজন ঔপন্যাসিক

**জ্যোতিৰূপা দাস**



১৯৭৮ চনৰ ১ এপ্ৰিল। জাপানৰ ঝিংগু ষ্টেডিয়াম। এখন উত্তেজনাপূৰ্ণ বেছবল খেলৰ অগণন দৰ্শকৰ মাজত প্ৰায় ত্ৰিছ বছৰীয়া এজন বেছবল অনুৰাগী। বেটাৰবক্সত প্ৰবেশ কৰিছে নবীন খেলুৱৈ ডেভ হিল্টন। স্বকীয় প্ৰতিভাৰে আৰম্ভণিতেই তেওঁ অৰ্জন কৰিলে ডাবল হিট। ষ্টেডিয়ামৰ চৌপাশ ৰজনজনাই উঠিল। সেই সময়তেই দৰ্শকৰ আসনত বহি থকা সেই ডেকাজনৰ মনত কোনো কাৰণ বা প্ৰসংগ নোহোৱাকৈ আশাৰ সঞ্চাৰ হ'ল। "মযো এখন উপন্যাস লিখিব পাৰোঁ।" সঁচাকৈয়ে তেওঁ সেই ৰাতিয়েই উপন্যাস লিখা কামত হাত দিলে। সেই ডেকাজনেই হ'ল আজিৰ ন'বেল বঁটা বিজয়ী ঔপন্যাসিক হাৰুকি মুৰাকামি। পৰৱৰ্তী সময়ত এই ঘটনাৰ বিষয়ে এখন ৰচনাত তেওঁ এইদৰে উল্লেখ কৰিছে—"সেই মুহূৰ্তত কোনো কাৰণ বা প্ৰসংগ নোহোৱাকৈ এটা চিন্তাই মোৰ মনত আঘাত কৰিলে—মই এখন উপন্যাস লিখিব পাৰোঁ।" (" In that instant, for no reason and on no grounds wherever the thought suddenly struck me : I think I can write a novel.")

হাৰুকি মুৰাকামি মূলতঃ এজন জাপানী লেখক। নিজৰ কল্পনা শক্তি আৰু বিশেষ লিখনশৈলীৰে ৰচিত তেওঁৰ উপন্যাস, চুটিগল্প আৰু ৰচনাসমূহ এতিয়ালৈ ৫০তকৈও অধিক ভাষালৈ অনূদিত হৈছে। যাৰ ফলত হাৰুকি মুৰাকামি বৰ্তমান বিশ্বৰ আধুনিক সাহিত্যৰ এজন প্ৰভাৱশালী লেখক হিচাপে পৰিগণিত হৈছে।

১৯৪৯ চনৰ ১২ জানুৱাৰীত জাপানৰ কিয়োটোত মুৰাকামিৰ জন্ম হৈছিল। শৈশৱ কাল কোবেত অতিবাহিত কৰা মুৰাকামিয়ে পাছলৈ জাপানৰ ওৱাচেদা বিশ্ববিদ্যালয়ত চিনেমা আৰু থিয়েটাৰ আৰ্টৰ বিষয়ে অধ্যয়ন কৰিছিল। গতিকে তেওঁ উপন্যাস লিখাৰ আগৰ কালছোৱাত বোলছবি নিৰ্মাণৰ কামতহে নিজক নিয়োজিত কৰিব খুজিছিল।

তেওঁৰ প্ৰথমখন উপন্যাস 'হিয়েৰ দ্য উইণ্ড চিঙ'ৰ (Hear the Wind Sing) বাবে মুৰাকামিয়ে ১৯৭৯ চনত গুণঝৌ প্ৰাইজ ফ'ৰ নিউ ৰাইটাৰছ (Gunzou Prize for New Writers) বঁটা লাভ কৰিবলৈ সক্ষম হয়। এই সফলতাৰ পাছত তেওঁ 'পিনবল, ১৯৭৩' (Pinball, 1973) আৰু এ ৱাইল্ড শ্বিপ চেইজ (A Wild Sheep Chase) লিখি উলিয়ায়, ইয়াক একেলগে 'দ্য ট্ৰিল'জী অব দ্য ৰেট' (The Trilogy of the Rat) বুলি জনা যায়।

মুৰাকামিৰ আন কিছুমান উল্লেখযোগ্য সৃষ্টি হ'ল হাৰ্ড-বইল্ড ৱাণ্ডাৰলেণ্ড (Hard-Boiled Wonderland), দ্য এণ্ড অব দ্য ৱৰ্ল্ড (The End of the World), দ্য উইণ্ড-আপ বাৰ্ড ক্ৰ'নিকল (The Wind-Up Bird Chronicle), কাফ্‌কা অন দ্য শ্ব'ৰ (Kafka on the Shore) ইত্যাদি।

মুৰাকামিয়ে নিজৰ বিশেষ লিখনশৈলীৰ কাৰণে পাঠকৰ মাজত জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে। তেওঁৰ একেটা লিখনিয়ে পাঠকসকলৰ মনত বিভিন্ন সময়ত বিভিন্ন ধৰণে ক্ৰিয়া কৰিব পাৰে। গল্প, উপন্যাসবোৰত তেওঁৰ কল্পনা শক্তিৰ প্ৰচুৰ প্ৰয়োগ দেখা যায়। তেওঁৰ লেখাবোৰে সুখৰ প্ৰকৃত অৰ্থ কি, সফলতাৰ

সংজ্ঞা কি?, যিবোৰ কথা পৃথিৱীৰ সমগ্ৰ মানৱ জাতিৰ উত্তৰণৰ লগত জড়িত সেইবোৰ প্ৰতিফলিত হোৱা দেখা যায়।

সাহিত্য জগতলৈ আগ বঢ়োৱা অৱদানৰ বাবে মুৰাকামিয়ে বিভিন্ন বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। তাৰ ভিতৰত তেওঁ লাভ কৰা উল্লেখযোগ্য বঁটা কিছুমান হ'ল— ৱৰ্ল্ড ফ্যাণ্টাছী এৱাৰ্ড (World Fantasy Award), দ্য ফ্ৰেংক অ'কোনোৰ ইণ্টাৰনেছনেল শ্বৰ্ট ষ্টৰী এৱাৰ্ড (The Frank O'Connor International Short Story Award), দ্য ফ্ৰেঞ্জ কাফ্‌কা প্ৰাইজ (The Franz Kafka Prize), দ্য জেৰুজালেম প্ৰাইজ (The Jerusalem Prize) ইত্যাদি। ❖

## বিশ্ব পৰিক্ৰমা

# শৰণাৰ্থীৰ সমস্যা

■ প্ৰীতিলতা পাটগিৰি



শৰণাৰ্থীৰ সমস্যাটো বৰ্তমান পৃথিৱীত গা-কৰি উঠা এটা গুৰুতৰ আন্তঃৰাষ্ট্ৰীয় সমস্যা। যোৱা কেইবাটাও দশক আমি শৰণাৰ্থীৰ সমস্যাটোৱে প্ৰায়ে বাতৰিকাকত, সংবাদ মাধ্যমৰ শিৰোনাম দখল কৰি অহা দেখিছোঁ। সাম্প্ৰতিক সময়ত পৃথিৱীৰ বিভিন্ন আগশাৰীৰ দেশৰ কাৰণে শৰণাৰ্থীসকলে এক বৃহৎ সমস্যাৰ সৃষ্টি কৰিছে।

প্ৰথমতে আমি কোনখিনি লোকক শৰণাৰ্থী বুলি অভিহিত কৰোঁ তাক সঠিকভাৱে জানিব লাগিব। শৰণাৰ্থী শব্দটোৰ অৰ্থ হৈছে সেইসকল লোক যিয়ে আনৰ ওচৰত আশ্ৰয় বিচাৰে। অসমীয়াত আমি শৰণাৰ্থীক ভগনীয়া বুলিও কওঁ আৰু ইংৰাজীত শৰণাৰ্থীক ৰিফিউজী (refugee) বুলি কয়। এজন ব্যক্তি এখন ঠাইৰ পৰা বা এখন দেশৰ পৰা গৈ আন এখন ঠাইত বা দেশত শৰণাৰ্থী হ'ব বিচৰাৰ আঁৰত বিভিন্ন কাৰণ থাকিব পাৰে। তাৰ ভিতৰত প্ৰধান কাৰণসমূহ হৈছে ধৰ্মীয় উৎপীড়ন, ৰাজনৈতিক অস্থিৰতা, দুৰ্ভিক্ষ, আৰ্থিক সংকট, যুদ্ধ, আভ্যন্তৰীণ সংঘাত, জলবায়ুৰ পৰিবৰ্তন আদি। এক সমীক্ষা অনুসৰি পৃথিৱীত ২০১০ চনৰ তুলনাত ২০১৯ চনত শৰণাৰ্থীৰ সংখ্যা দুগুণে বৃদ্ধি পাইছে। বৰ্তমান পৃথিৱীত প্ৰায় ৮ কোটি লোকে শৰণাৰ্থীৰ জীৱন কটাইছে। যাৰ ভিতৰত প্ৰায় ৩ৰ পৰা ৪ কোটি শিশু।

গৃহযুদ্ধৰ ফলত ২০১১ চনৰ পৰা বৰ্তমানলৈ ছিৰিয়াৰ বহু লোক শৰণাৰ্থী হ'বলৈ বাধ্য হৈ পৰিছে। ছিৰিয়াৰ প্ৰায় ১ কোটি ২০ লাখ লোক গৃহহীন হৈছে। ২০২০ চনৰ অক্টোবৰত হোৱা এক সমীক্ষা অনুসৰি ছিৰিয়াৰ প্ৰায় ২ কোটি ৬০ লাখ শিশু শৰণাৰ্থী হৈছে আৰু প্ৰায় আঢ়ৈ কোটি শিশু দেশখনৰ ভিতৰতে গৃহহীন হৈ আছে। ছিৰিয়াৰ পৰা পলাই যোৱা লোকসকল তুৰ্কী, লেবানন, জৰ্দান, ইৰাক, ইজিপ্ট আদি কৰি পৃথিৱীৰ প্ৰায় ১২৫ খনমান দেশত শৰণাৰ্থী হৈ আছে। এই শৰণাৰ্থীসকলৰ ৮ শতাংশই শৰণাৰ্থীৰ ছাউনীত বাস কৰে আৰু ৯২ শতাংশই বিভিন্ন গাঁও আৰু চহৰত বাস কৰে।

আৰ্থিক সংকট আৰু ৰাজনৈতিক অস্থিৰতাৰ বাবে ভেনিজুৱেলাৰ বহু লোক বিভিন্ন সময়ত শৰণাৰ্থী হ'ব লগীয়া হৈছে। দেশখনত দেখা দিয়া দৰবৰ অভাৱ, খাদ্যৰ

অভাৱ আৰু সুৰক্ষাৰ অভাৱে হাজাৰ হাজাৰ লোকক বেলেগ দেশলৈ নিজৰ সুৰক্ষাৰ বাবে ঢাপলি মেলিবলৈ বাধ্য কৰিছে। কিমান নাগৰিকে দেশখনত সৃষ্টি হোৱা এনেকুৱা সমস্যাৰ বাবে শৰণাৰ্থী হ'ব লগা হ'ল তাৰ সঠিক তথ্য আৰু বিৱৰণ বৰ্তমানো কাৰো হাতত নাই।

আফগানিস্তানৰ বহু লোক বিভিন্ন সময়ত বিভিন্ন কাৰণত শৰণাৰ্থী হ'ব লগা হৈ আহিছে। ২০১৮ আৰু ২০১৯ চনত সৃষ্টি হোৱা জলবায়ুৰ পৰিবৰ্তনে বহু লোকক গৃহহীন কৰিছিল। এই দুই বছৰত দেশখনত সৃষ্টি হোৱা ভয়ানক খৰাং বতৰৰ বাবে বহু লোক ইৰান, পাকিস্তান আৰু বিভিন্ন ইউৰোপীয় দেশত শৰণাৰ্থী হ'বলৈ বাধ্য হৈছিল। শেহতীয়াভাৱে আফগানিস্তানত তালিবানৰ শাসনকাল আৰম্ভ হোৱা বাবে বহু লোকে দেশ এৰিছে।

২০১১ চনত ছুডানৰ পৰা পৃথক হৈ স্বাধীন ৰাষ্ট্ৰৰূপে স্বীকৃতি লাভ কৰা দক্ষিণ ছুডানত ২০১৩ চনতেই বিভিন্ন সংঘাতৰ সৃষ্টি হয়। বিভিন্ন হিংসাত্মক কাৰ্য্য, আৰ্থিক সংকট, দুৰ্ভিক্ষ আৰু বিভিন্ন ৰোগৰ সৃষ্টি হোৱা বাবে দেশখনৰ প্ৰায় ২ কোটি ৩০ লাখ লোক ওচৰ-চুবুৰীয়া দেশত শৰণাৰ্থী হ'ব লগা হৈছে। ইয়াৰ ভিতৰত আশী শতাংশই মহিলা আৰু শিশু।

ম্যানমাৰৰ ৰহিংগীয়া লোকসকলে ১৯৯০ চনৰ পৰাই উৎপীড়নৰ সন্মুখীন হৈ দেশ এৰিবলৈ বাধ্য হৈ আহিছে। ৰহিংগীয়া লোকসকলক ম্যানমাৰৰ চৰকাৰে অবৈধ বাংলাদেশী বুলি গণ্য কৰি আহিছে। ২০১৭ চনৰ এক সমীক্ষা অনুসৰি প্ৰায় ৭ লাখ ২০ হাজাৰ ৰহিংগীয়া লোকে ম্যানমাৰ এৰিছে। ইয়াৰ বেছিভাগেই বাংলাদেশত আশ্ৰয় গ্ৰহণ কৰিছে।

ছোমালিয়াতো ১৯৯০ চনৰ পৰাই বহু লোকে দেশ এৰিবলৈ বাধ্য হৈ আহিছে। দেশখনত সৃষ্টি হোৱা ৰাজনৈতিক অস্থিৰতা, গৃহযুদ্ধ, জলবায়ুৰ পৰিবৰ্তনে বহু লোকক গৃহহীন কৰিছে। দক্ষিণ আৰু মধ্য ছোমালিয়াত হোৱা অতিপাত বৰষুণে মানুহৰ জীৱিকা উপাৰ্জনৰ পথত বাধাৰ সৃষ্টি কৰি আহিছে। ২০১০ চনৰ পৰা ২০১২ চনৰ ভিতৰত খাদ্যৰ অভাৱত প্ৰায় ২ লাখ ৬০ হাজাৰ ছোমালিয়াৰ বাসিন্দাই মৃত্যুবৰণ কৰিবলগীয়া হৈছিল। অতি দুখ লগা বিষয় যে ইয়াৰ ভিতৰত প্ৰায় ১ লাখ ৩৩ হাজাৰ শিশু আছিল যাৰ বয়স ৫ বছৰতকৈও কম আছিল। শেহতীয়াকৈ ২০২০ চনত প্ৰায় ৮ মাহমান বানপানীৰ কবলত পৰিবলগীয়া হোৱা বাবে প্ৰায় ৬ লাখ ৫০ হাজাৰ লোকে ছোমালিয়া এৰিছে। বৰ্তমান প্ৰায় ৭ লাখ ৫০ হাজাৰ ছোমালিয়াৰ বাসিন্দাই ওচৰ-চুবুৰীয়া দেশ কেনিয়া, য়েমেন আৰু ইথিঅ'পিয়াত শৰণাৰ্থী হৈ আছে। আনহাতে দেশখনৰ ভিতৰতে প্ৰায় ২.৬ মিলিয়ন লোক গৃহহীন হৈ আছে।

ইয়াত মাত্ৰ কেইখনমান দেশৰ শৰণাৰ্থীৰ কথাহে উল্লেখ কৰা হ'ল। পৃথিৱীৰ আৰু বহু দেশৰ হাজাৰ হাজাৰ লোক আজিও বেলেগ দেশত গৈ আশ্ৰয় ল'বলগীয়া পৰিবেশৰ সৃষ্টি হৈয়েই আছে। যোৱা বছৰৰ শেষৰফালে বেলাৰুচৰ চাৰিসীমাৰ বাহিৰত হাজাৰ হাজাৰ শৰণাৰ্থী হাড় কঁপোৱা ঠাণ্ডাকো নেওচি তম্বুত বাস কৰি থকা দেখা গৈছিল। এই লোকসকলে যিকোনো উপায়ে পোলেণ্ডত প্ৰবেশ কৰিব বিচাৰি আছিল। তেওঁলোকে ইউৰোপৰ যিকোনো দেশত প্ৰবেশ কৰি এক সুনিশ্চিত আৰু নিৰাপদ ভৱিষ্যৎ গঢ়িব বিচাৰিছিল। আমাৰ দেশ ভাৰতবৰ্ষইও ওচৰ-চুবুৰীয়া বিভিন্ন দেশ, যেনে— পাকিস্তান, আফগানিস্তান, নেপাল আৰু বাংলাদেশৰ পৰা বিভিন্ন সময়ত বিভিন্ন কাৰণত অহা লোকসকলক শৰণাৰ্থী হিচাপে গ্ৰহণ কৰি আহিছে। ❖

**অন্বেষণ এপ্ৰিল, ২০২২ সংখ্যাৰ চুড'কু (১৮০)ৰ শুদ্ধ উত্তৰ দিয়া শিক্ষাৰ্থীসকলৰ নাম**

শ্যামলীমা পাঠক (নৱম ক); তৃষ্ণা কলিতা (সপ্তম খ); প্ৰজ্ঞান বৰুৱা (দশম ক); উপাসনা দত্ত (দশম ঘ); ধৃতিস্মিতা পাঠক (সপ্তম গ); গীতাৰ্থ শৰ্মা (নৱম গ); মো. ৰেহান আলী (অষ্টম ঘ); পাৰ্থ প্ৰতিম পাঠক (অষ্টম ঘ); আদিত্য কাশ্যপ (অষ্টম গ); বিমান কলিতা (অষ্টম ঘ); বিশাখা ভৰদ্বাজ (সপ্তম গ)। ❖

# কুইজ

১। সাহিত্যিক পেন্সন লাভ কৰা অসমৰ প্ৰথমগৰাকী ব্যক্তি কোন?

২। প্ৰাকৃতিক গেছক অন্যতম কেঁচামাল হিচাপে ব্যৱহাৰ কৰি সাৰ উৎপাদন কৰা দেশৰ প্ৰথমটো কাৰখানা ক'ত আছে?

৩। TISSৰ সম্পূৰ্ণ নাম কি?

৪। ৰুগ্ন আৰু লোকচান ভৰা চাহবাগিচাক বন্ধ হোৱাৰ পৰা ৰক্ষা কৰিবলৈ ১৯৭৩ চনত কি গঠন কৰা হৈছিল?

৫। অসম বুৰঞ্জীত কোনগৰাকী মহিলাক অসমৰ ক্লিওপেট্ৰা বুলি জনা যায়?

৬। কোন চনত iphone ৰ প্ৰথম আৰ্হিটো উপলব্ধ হৈছিল?

৭। ভাৰতবৰ্ষৰ কোনটো ভাষাই পোনপ্ৰথমে ধ্ৰুপদী ভাষাৰ মৰ্য্যাদা পাইছিল?

৮। গ্ৰেনাইটৰ দ্বাৰা নিৰ্মিত পৃথিৱীৰ প্ৰথমটো মন্দিৰ ক'ত অৱস্থিত?

৯। CLATৰ সম্পূৰ্ণ অৰ্থ কি?

১০। ৰমন মেগছেছে বঁটা প্ৰাপ্ত প্ৰথমগৰাকী ভাৰতীয় কোন?

১১। "এ নিউ ৰিমাৰ্কছ অন আছামিজ লেংগুৱেজ" নামৰ গ্ৰন্থখন কোনজন অসমীয়াই কি ছদ্মনামত লিখিছিল?

১২। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি পদত এতিয়ালৈ এজন ব্যক্তিয়েই চাৰিবাৰ অধিষ্ঠিত হৈছিল। তেওঁ কোন?

১৩। ২০২০ চনৰ বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত সৰ্বাধিক গ'ল কৰোঁতা খেলুৱৈজনৰ প্ৰকৃত নামটোত পেৰুৰ ৰাজধানী চহৰখনৰ নামটো পোৱা যায়। চহৰখনৰ নামটো কি?

১৪। ভাৰতৰ চাৰিওটা অসামৰিক সন্মান—পদ্মশ্ৰী, পদ্মভূষণ, পদ্মবিভূষণ আৰু ভাৰতৰত্ন লাভ কৰা প্ৰথমজন ব্যক্তি কোন?

১৫। "লিভিং টু টেল দ্য টেইল" হ'ল সাহিত্যৰ ন'বেল বঁটাবিজয়ী "হাণ্ড্ৰেড ইয়েৰ্ছ চলিটিউড" নামৰ গ্ৰন্থখনৰ ৰচয়িতাগৰাকীৰ আত্মজীৱনী। তেওঁ কোন?

১৬। ৰাছিয়াত কিমানটা টাইম জ'ন আছে?

১৭। বৃদ্ধাৱস্থাৰ বিষয়ে কৰা অধ্যয়নক ইংৰাজীত কি বুলি জনা যায়?

১৮। ইশ্বিহাৰা টেষ্টৰ জৰিয়তে কি জোখা হয়?

১৯। এখন দেশে ইনফ'ছিছৰ এন আৰ নাৰায়ণমূৰ্তিক দেশখনৰ তথ্য প্ৰযুক্তিবিদ্যা ক্ষেত্ৰৰ উপদেষ্টা হ'বলৈ প্ৰস্তাৱ দিছিল, যিটো তেওঁ প্ৰত্যাখ্যান কৰে। দেশখন কি?

২০। IISER ৰ সম্পূৰ্ণ অৰ্থ কি? ❖

**■ সংগ্ৰহ : হিৰণ্য কলিতা**

## তোমালোকৰ বাবে প্ৰশ্ন (মে')

১। জাপানৰ ৰাষ্ট্ৰীয় ফুল কি?

২। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰীয় পতাকাত কেইটা পটী আছে?

৩। কোনখন দেশত পৃথিৱীৰ ভিতৰত সৰ্বাধিক সংখ্যক দ্বীপ আছে?

৪। কোনে আৰু কেতিয়া World Wide Web (WWW) উদ্ভাৱন কৰিছিল?

৫। কোনটো ফুটবল দলক 'The Red Devils' নামেৰে জনা যায়? ❖

# ৰাহিবাই সোমা পপেৰে

**উৎপলা বৰা**



এযাৰ কথা আছে মহৎ লোকে কোনো বেলেগ কাম নকৰে; মাথোঁ সকলোৱে কৰা কামখিনিকে বেলেগ ধৰণে কৰে। প্ৰকৃততে একনিষ্ঠতা তথা একাগ্ৰতাই মানুহক স্বআলোকিত কৰে। নেৰানেপেৰা প্ৰচেষ্টাৰে প্ৰয়োজনত কৰা কামবিলাকেই মানুহক মূল্যায়ন কৰে আৰু মানুহ মহিমামণ্ডিত হয়। সাধাৰণ কামৰ যোগেদিয়েই মহিমামণ্ডিত হৈ বীজমাতা নামেৰে খ্যাত হোৱা এগৰাকী মহিলাৰ বিষয়ে আজি ক'বলৈ বিচাৰিছোঁ।

নাম তেওঁৰ ৰাহিবাই সোমা পপেৰে। অতি সাধাৰণ এটা কৃষকৰ পৰিয়ালত ১৯৬৪ চনত মহাৰাষ্ট্ৰৰ আহমদ নগৰ জিলাৰ কোম্ভালিনী গাঁৱত তেওঁ জন্মগ্ৰহণ কৰিছিল। স্বাভাৱিকভাৱে কৃষকৰ পৰিয়ালত জন্মগ্ৰহণ কৰি ৰাহিবায়ে সৰুৰে পৰাই কৃষিকৰ্মৰ লগত জড়িত হ'বলগীয়া হোৱা বাবেই বিদ্যালয়ৰ আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰিব নোৱাৰিলে। কিন্তু নিজৰ যি কৰ্ম তাত থকা একনিষ্ঠতাৰ বাবে অন্যধৰণে তেওঁ শিক্ষিত হৈ পৰিল।


কৃষিৰ বাবে অতিকৈ প্ৰয়োজনীয় বস্তুটোৱেই হ'ল সঁচ বা বীজ। সঁচ ভাল হ'লেহে ফচল ভাল হয়। এই দিশটোৰ ওপৰতেই গুৰুত্ব দি তেওঁ কিদৰে থলুৱা বীজ সংৰক্ষণ কৰিব পাৰি সেই বিষয়ে নিৰৱচ্ছিন্নভাৱে চিন্তা-চৰ্চা কৰে আৰু সফলতা লাভ কৰে। গাঁৱৰ ওচৰ-পাঁজৰৰ কৃষকসকলক এই বিষয়ে সজাগ কৰিবলৈ চেষ্টা কৰে। তেওঁৰ কৃষি পামখনক এখন সুস্থ কৰ্মস্থলীলৈ ৰূপান্তৰিত কৰে আৰু তাৰ যোগেদিয়েই স্বাৱলম্বিতাৰ নিদৰ্শন দাঙি ধৰে। বিভিন্ন আত্মসহায়ক গোট গঠন কৰি স্বাৱলম্বিতাৰ পথ প্ৰশস্ত কৰিবৰ বাবে তেওঁ বীজ সংৰক্ষণৰ লগতে মেটেকাৰে (Hyacinth) বেগ প্ৰস্তুত কৰাৰো প্ৰশিক্ষণ দি গাঁৱৰ লোকক অৰ্থনৈতিক দিশত আগ বাঢ়ি যাবলৈ উৎসাহিত কৰিছিল।

তেওঁ কৃষক তথা ছাত্ৰসকলকো কৃষিকৰ্মৰ বিষয়ে প্ৰশিক্ষণ দিয়াৰ লগতে কিদৰে খেতিপথাৰখন বা বীজ আদি কীট-পতংগৰ পৰা ৰক্ষা কৰিব পাৰি তাৰো দিহা দিছিল। তেওঁ নিজাকৈ খেতি পথাৰত পানী যোগানৰ এক উপায় উদ্ভাৱন কৰে য'ত নিয়ন্ত্ৰিত পদ্ধতিৰে পানী যোগান ধৰা হয়। এইদৰে তেওঁ ছন পৰি থকা প্ৰায় ৫০ একৰো অধিক ভূমি কৃষিৰ উপযোগী কৰি গঢ়ি তুলিছিল। নিজাকৈ চাৰিটা পৰ্য্যায়ত ধান খেতিৰ কৌশল উদ্ভাৱন কৰি তেওঁ সফল হৈছিল। ৰাহিবাই পপেৰেই কৃষিৰ পুৰণি প্ৰণালীকে উন্নত কৰি জৈৱিক কৃষিক এক ন ৰূপ দিয়ে।

এই কৰ্মৰাজিৰ বাবেই ক্ৰমান্বয়ে তেওঁ জনাজাত হ'বলৈ ধৰিলে আৰু ২০১৫ চনত প্ৰটেক্‌ছন অব প্লেন্ট ভেৰাইটিজ এণ্ড ফাৰ্মাৰ্চ ৰাইট ইন ইণ্ডিয়াৰ (Protection of plant varieties and farmers right in India) অবৈতনিক গৱেষক প্ৰেম মাথুৰ আৰু কাউন্সিল অব ছায়েণ্টিফিক এণ্ড ইণ্ডাষ্ট্ৰিয়েল ৰিছাৰ্চৰ (Council of Scientific and Industrial Research) ডাইৰেক্টৰ ৰঘুনাথ মাচেলকাৰে তেওঁক 'বীজমাতা' (Seed mother) আখ্যা দিয়ে আৰু তেতিয়াৰ পৰাই তেওঁ বীজমাতা হিচাপে পৰিচিত হয়। পূৰ্ঠ বীজসমূহ সংৰক্ষণৰ বাবে তেওঁ বীজ বেংকৰ (seed bank) ব্যৱস্থা কৰে আৰু ১৭ বিধ থলুৱা বীজ সংৰক্ষণ কৰে। ২০১৮ চনত বিবিচিৰ ১০০ গৰাকী প্ৰভাৱশালী মহিলাৰ তালিকাত স্থান লাভ কৰা ৰাহিবায়ে ২০২০ চনৰ পদ্মশ্ৰী সন্মান লাভ কৰে। ❖

# ডুবাই মিৰাকল গাৰ্ডেন

**ছায়াস্মিতা বৈশ্য**



বিশ্বৰ সবাতোকৈ সুন্দৰ, সবাতোকৈ বৃহৎ আৰু চকু জুৰ পেলোৱা ফুলৰ বাগিচাখনেই হ'ল 'ডুবাই মিৰাকল গাৰ্ডেন'—যাৰ নাম ইতিমধ্যে গিনীজ বুক অব ৰেকৰ্ডছত অন্তৰ্ভুক্ত হৈছে। ৭২,০০০ বৰ্গমিটাৰ এলেকা জুৰি বিস্তৃত এই বাগিচাখন ডুবাইৰ ডুবাইলেণ্ড জিলাত অৱস্থিত। ইয়াত প্ৰায় ৯০ কোটিতকৈ অধিক ফুল আছে। ইয়াত ফুলসমূহ বিভিন্ন আকৃতিৰ সজ্জাৰে মনোমোহাকৈ সজাই ৰখা হৈছে, যেনে—বিভিন্ন ধৰণৰ গাড়ী, বিভিন্ন আকৃতিৰ ঘৰ, পিৰামিড, ঈগলু (বৰফৰ ঘৰ), ছাতি, তৰা ইত্যাদি। এই আৰ্হিবোৰে দৰ্শকক অতি সহজতে আকৰ্ষণ কৰে। ফুলৰ আৰ্হিবোৰ প্ৰতি বছৰে সলনি কৰা হয়। যাৰ ফলত প্ৰতি বছৰে এই বাগিচাখনৰ নতুন ৰূপ দেখিবলৈ পোৱা যায়। কৰ্তৃপক্ষই প্ৰতি বছৰে দৰ্শকক আকৰ্ষণ কৰিবলৈ নতুন দৃশ্যপট সৃষ্টি কৰে। প্ৰতি বছৰেই দৰ্শকক নতুন চমক দিয়ে এই মিৰাকল গাৰ্ডেনে।

এই বিশাল ফুলৰ বাগিচাখন প্ৰতি বছৰে নৱেম্বৰ মাহৰ পৰা মে' মাহলৈ দৰ্শকৰ বাবে মুকলি কৰি দিয়া হয়। বাগিচাখনৰ প্ৰবেশ পথটো সাতটা ফুলেৰে তৈয়াৰী হৃদন আকৃতিৰ সজ্জাৰে সজোৱা আছে যাক ছেভেন হাৰ্টছ (Seven hearts) বুলিও কোৱা হয়। বাগানখনৰ চাৰিওদিশে সজাই থোৱা আছে ত্ৰিমাত্ৰিক (3 dimensional, 3D) প্ৰযুক্তিযুক্ত ফুলৰেই পাহাৰ। বাগানৰ ভিতৰত আছে প্ৰাকৃতিক ফুলেৰে তৈয়াৰী বিশাল এমিৰেটছ্ বিমানৰ (Emirates flight) গঠন। তদুপৰি বাগিচাখনৰ ভিতৰত আছে সাতটাকৈ পিৰামিডৰ আৰ্হি, বিশাল আকৃতিৰ আৰব আমীৰশ্বাহীৰ (Arab Emirates) পতাকা, ছাতিৰ আৰ্হিত প্ৰাকৃতিক ফুলেৰে তৈয়াৰী 'আমব্ৰেলা পথ', ফুলৰ সুৰংগ, বিভিন্ন কাৰ্টুন চৰিত্ৰৰ প্ৰতিকৃতি, বিভিন্ন প্ৰাণীৰ প্ৰতিকৃতি, ফুলৰ নাও ইত্যাদি। ইয়াত ফুলেৰে নিৰ্মিত এটা ঘড়ীও আছে।

ডুবাই মিৰাকল গাৰ্ডেনৰ অন্য এক আকৰ্ষণ হ'ল ইয়াত থকা পখিলাৰ বাগিচা (Butterfly garden)। এই উদ্যানত আছে এখন বিশাল বাটাৰফ্লাই পাৰ্ক (Butterfly park)। ইয়াত ২৬টা বিভিন্ন প্ৰজাতিৰ প্ৰায় ১৫,০০০ পখিলা পোৱা যায়।

মিৰাকল গাৰ্ডেনত পৃথিৱীৰ কেইবাখনো দেশৰ বিভিন্ন ৰঙৰ ফুল, বিভিন্ন ধৰণৰ গছৰ উপৰি কেইবাপ্ৰকাৰৰো ঔষধি গছ তথা মৌচুমী, ষ্ট্ৰবেৰী আদিৰ বাগানো আছে।

আধুনিক প্ৰযুক্তি সম্বলিত সকলো ব্যৱস্থাই আছে এই বাগানত। যেনে—বহুখলপীয়া গাড়ী ৰখা ঠাই, বাণিজ্যিক বিপণি, প্ৰাৰ্থনা গৃহ, শাৰীৰিক প্ৰতিবন্ধীসকলৰ বাবে বিশেষ ব্যৱস্থা ইত্যাদি। বাগানৰ মাজে মাজে আসনৰ সুব্যৱস্থা কৰা হৈছে যাতে দৰ্শকসকলে জিৰণি লৈও বাগিচাৰ সৌন্দৰ্য্য উপভোগ কৰিব পাৰে। তদুপৰি ইয়াত কেইবাখনো খাদ্যৰ বিপণিও আছে।

ডুবাইৰ দৰে এখন গ্ৰীষ্মপ্ৰধান তথা শুকান ঠাইত ইমান বৃহৎসংখ্যক ফুল সতেজ কৰি ৰাখিবলৈ যথেষ্ট পৰিমাণৰ পানীৰ প্ৰয়োজন হয়। এই মৰুভূমিৰ দেশত অপূৰ্ব সৌন্দৰ্য্য সৃষ্টিৰ আঁৰত আছে হাজাৰ শ্ৰমিকৰ অক্লান্ত পৰিশ্ৰম। তেওঁলোকে বাগিচা দৰ্শকৰ বাবে বন্ধ থকা সময়ত প্ৰতিজোপা ফুলৰ যত্ন লয়, প্ৰতিডাল গছত পানী দিয়ে। ফুলবোৰ সতেজ কৰি ৰাখিবলৈ প্ৰতিদিনে প্ৰায় ৭ লাখ ৫০ হাজাৰ লিটাৰ পানীৰ প্ৰয়োজন হয়। ইয়াত বিভিন্ন উৎসৰ বৰ্জিত পানীসমূহ পৰিশোধন কৰি ব্যৱহাৰ কৰা হয়। ❖

# মানৱৰ ইতিহাস : জুই

■ অসীম কৃষ্ণ বৰুৱা



কোনো বস্তু জ্বলিলে উৎপন্ন হোৱা তাপ আৰু পোহৰ দুয়োটাকে একেলগে জুই বুলি কোৱা হয়। কোনে প্ৰথমে এই জুই আৱিষ্কাৰ কৰিছিল? পৌৰাণিক গ্ৰীক শাস্ত্ৰ মতে প্ৰমিথিউছ নামৰ মানুহজনে ভগৱানৰ পৰা জুই চুৰি কৰি আনি মানুহক দিছিল। আমেৰিকাৰ এক প্ৰাচীন বিশ্বাস মতে কুকুৰনেছীয়া বাঘ, উদপেকাৰে এক দুষ্ট শক্তিৰ পৰা কৌশল কৰি জুই আনি মানুহক দিছিল। এইবোৰ বিশ্বাস। ইয়াৰ বৈজ্ঞানিক বিশ্লেষণ নাই।

জুইৰ আৱিষ্কাৰ আৰু ব্যৱহাৰ কেনেকৈ হৈছিল, সেই সম্পৰ্কে জানিবলৈ হ'লে মানৱ সভ্যতাৰ আদিম অৱস্থা সম্পৰ্কে জানিব লাগিব। আমি জানো যে আদিম অৱস্থাত মানুহ অৰণ্যবাসী আছিল। মানুহে স্থায়ীভাৱে বসবাস কৰিবলৈ শিকা নাছিল। খেতি-বাতিও কৰা নাছিল। অৰণ্যৰ ফল-মূল সংগ্ৰহ কৰি, বনৰীয়া পশু-পক্ষী চিকাৰ কৰি মানুহে নিজৰ ভোক নিবাৰণ কৰিছিল। এনে অৱস্থাৰ মাজতেই মানুহে অৰণ্যত জুই জ্বলা দেখিছিল। সেই বনজুয়ে গছ-গছনি, পশু-পক্ষী জ্বলাই পেলোৱা দেখিছিল। শুকান গছ-কাঠ বতাহত ঘঁহনি খাই উৎপন্ন হোৱা জুই, পাহাৰ-পৰ্বতৰ শিল ঠেকা খাই, ঘঁহনি খাই উৎপন্ন হোৱা জুয়ে তেনে বনজুইৰ সৃষ্টি কৰিছিল। মানুহৰ বুদ্ধি-বৃত্তি বিকাশ নোহোৱা সেই আদিম অৱস্থাত মানুহে জুই সৃষ্টি হোৱাৰ কাৰণ নিশ্চয়কৈ বুজি পোৱা নাছিল। অথচ মানুহ এনে এক জীৱ যিয়ে পৰিবেশ-পৰিস্থিতি-অৱস্থাৰ পৰিবৰ্তনৰ সৈতে নিজকে খাপ খুৱাই ল'ব জানে। আন জীৱৰ সৈতে মানুহৰ ই এক বৃহৎ পাৰ্থক্য। সেয়েহে প্ৰাকৃতিকভাৱে জুই সৃষ্টি হোৱা ঘটনা-পৰিঘটনাবোৰ লাহে লাহে মানুহে বুজি পাইছিল। বনজুয়ে পুৰি পেলোৱা অৰণ্যৰ বৃহৎ বৃহৎ গছবোৰ বহুদিনলৈ জ্বলি আছিল। বনজুয়ে পোৱা পশু-পক্ষীৰ মাংসৰ সোৱাদো তেওঁলোকে লৈছিল। শিলে শিলে ঘঁহনি খোৱাৰ ফলত জুই সৃষ্টি হোৱা কথাটো আদিম মানুহে দেখিছিল। সেয়েহে ক্ৰমান্বয়ে শিলে শিলে খুন্দিয়াই জুই জ্বলোৱাৰ কৌশল আয়ত্ত কৰিবলৈ সক্ষম হৈছিল। সেয়াই আৰম্ভণি। তেনেকৈয়ে মানুহে জুই ব্যৱহাৰৰ প্ৰথমটো স্তৰ সফলতাৰে অতিক্ৰম কৰিব পাৰিছিল। এইখিনিতে উল্লেখযোগ্য কথাটো এয়ে যে আদিতে পৃথিৱীৰ দুই-এক ঠাইতহে মানুহৰ বসতি আৰম্ভ হৈছিল। আফ্ৰিকা মহাদেশ, দক্ষিণ ভাৰত আদি অঞ্চলত মানুহে প্ৰথমে বসতি স্থাপন কৰাৰ কথা জানিব পৰা গৈছে।

আদিম মানুহৰ অঘৰী জীৱনৰ কেতিয়া, কেনেকৈ অন্ত পৰিল? ইয়াৰ উত্তৰ হ'ল কৃষি পদ্ধতি আৱিষ্কাৰৰ লগে লগে মানুহৰ অঘৰী জীৱনৰ অন্ত পৰিবলৈ ধৰে আৰু স্থায়ী বসবাসৰ আৰম্ভ হয়। কৃষি পদ্ধতিৰ আৱিষ্কাৰ আৰু মানুহৰ স্থায়ী বসবাস এই দুটা কথাই মানুহৰ সভ্যতা যুগান্তকাৰী পৰিৱৰ্তন আনিলে। ইয়াৰ সৈতে জুইৰ আৱিষ্কাৰ আৰু জুইৰ ব্যৱহাৰৰ কথাটোৰ ওতপ্ৰোত সম্পৰ্ক আছে। কৃষিকাৰ্য্যৰ আৰম্ভণি, স্থায়ী বসবাস, মানুহৰ দৈনন্দিন জীৱনত জুইৰ ব্যৱহাৰ, চকাৰ আৱিষ্কাৰ এইবোৰ কথাই মানুহৰ সভ্যতাক সুসংগঠিত কৰি তুলিলে, অগ্ৰগতি দিলে।

মানৱ সভ্যতাৰ সেই আৰম্ভণিতে মানুহে কি কি কামত জুইৰ ব্যৱহাৰ কৰিছিল? পশু-পক্ষীৰ মাংস পোৱা, সিজোৱা, শাক-পাচলি জাতীয় বস্তু সিজোৱা, বনৰীয়া জীৱ-জন্তুক খেদিবলৈ জুই জ্বলাই ৰখা, খেতিৰ বাবে

আৰু বসতিস্থল নিৰ্মাণ কৰিবলৈ মাটি মুকলি কৰিবলৈ জুই জ্বলোৱা, শীতৰ পৰা নিজকে ৰক্ষা কৰা কামতেই প্ৰধানতঃ তেওঁলোকে জুই ব্যৱহাৰ কৰিছিল। পোহৰ পাবলৈ প্ৰথম অৱস্থাত জুইৰ ব্যৱহাৰ কৰা হৈছিল। মনত ৰাখিবলগীয়া কথাটো হ'ল মানুহৰ সভ্যতা বিকাশৰ প্ৰথম পৰ্য্যায়ৰ গতি বৰ ধীৰ আছিল। মূল কথাটো হ'ল মানুহৰ চিন্তাৰ উন্নতি। প্ৰাৰম্ভিক পৰ্য্যায়ত চিন্তাৰ উন্নতি অতি ধীৰ গতিতহে আগ বাঢ়িছিল।

বিজ্ঞানীসকলে কয় যে প্ৰায় ৩৪৫ মিলিয়ন বছৰ আগতে পৃথিৱীত বনজুইৰ সৃষ্টি হোৱাৰ প্ৰমাণ পোৱা গৈছে। সেইদৰে মানুহৰ সৈতে জুইৰ সম্পৰ্ক সৃষ্টি ১৫ মিলিয়ন বছৰৰ আগতে আফ্ৰিকা মহাদেশত হৈছিল বুলি বিজ্ঞানীসকলে কয়। জুইৰ ব্যৱহাৰৰ ক্ষেত্ৰত মানুহে বিভিন্ন স্তৰ অতিক্ৰম কৰিছে। সেয়েহে বিজ্ঞানীসকলে কয় যে মানুহে দৈনন্দিন জীৱনত প্ৰায় ৭,০০০ হাজাৰ বছৰৰ আগতেহে জুইৰ ব্যৱহাৰ নিয়মীয়াকৈ আৰম্ভ কৰিছিল। একেখিনি সময়ৰে পৰা মানুহে জুইৰ ব্যৱহাৰক নিজৰ নিয়ন্ত্ৰণত ৰাখিবলৈ শিকিছিল। সেয়েহে জুইৰ ব্যৱহাৰৰ লগতে জুইক নিয়ন্ত্ৰিত ৰূপত ব্যৱহাৰ কৰিব পৰাটো মানৱ সভ্যতা বিকাশৰ এক অন্যতম কাৰণ হিচাপে গণ্য কৰা হয়।

গতিকে এনেকৈ ক'ব পাৰি যে জুই প্ৰাকৃতিকভাৱে সৃষ্টি হোৱা এক শক্তি, যাক মানুহে কালক্ৰমত নিয়ন্ত্ৰিত ৰূপত ব্যৱহাৰ কৰিবলৈ সক্ষম হয়। জুইৰ ব্যৱহাৰ আৰু নিয়ন্ত্ৰণৰ প্ৰথম স্তৰত মানুহে প্ৰাকৃতিকভাৱে জ্বলা জুইক, জ্বলি থকা ঠাইৰ পৰা নিৰাপদ ঠাইলৈ নি ব্যৱহাৰ কৰিবলৈ শিকিছিল। দ্বিতীয়তে, সেই জুইক সংৰক্ষণ কৰিবলৈ শুকান গছ ব্যৱহাৰ কৰিছিল। আকৌ জুই সংৰক্ষণৰ বাবে গাঁত অৰ্থাৎ চুলা সাজি লৈছিল। একেদৰে জুই জ্বলাবলৈ উপযুক্ত শিলৰ টুকুৰা সংগ্ৰহ কৰা আৰু টান কাঠ আৰু কোমল কাঠ সংগ্ৰহ কৰাও আছিল এনে কৌশলৰ অন্যতম উদাহৰণ।

মানৱ সভ্যতাৰ অগ্ৰগতিত জুইৰ ব্যৱহাৰে নতুন মাত্ৰা পালে যেতিয়া ধাতুৰ আৱিষ্কাৰ হ'ল। ধাতু বুলি কওঁতে প্ৰথম লো ধাতুৰ কথা কোৱা হৈছে। কাৰণ লোৰ দৰে কঠিন ধাতুক জুইৰ তাপত গলাই লৈ মানুহে প্ৰথমে কৃষিকাৰ্য্যত ব্যৱহাৰ হোৱা সঁজুলি সাজিবলৈ শিকিলে। নাঙলৰ ফাল, কোৰ, জবকা, কাচি, দা-কটাৰী, কুঠাৰ, যাঁঠি-শূল আদি। আমাৰ ওচৰে-পাঁজৰে থকা কমাৰশাল এখনলৈ গ'লে এই কথাটোৰ ব্যাৱহাৰিক কৌশল আৰু গুৰুত্ব বুজিবলৈ সহজ হয়। জুইত লো গৰম কৰি কমাৰে সেই কোমল আৰু উত্তপ্ত অৱস্থাত থকা লোক নিজৰ প্ৰয়োজন মতে সা-সঁজুলিৰ ৰূপ দিয়ে। কথাবোৰ এতিয়া নিচেই সহজ হৈ পৰিল। কিন্তু প্ৰথম অৱস্থাত এই কথাবোৰেই মানৱ সভ্যতাৰ গতি নিৰ্ণয় কৰিছিল। লোৰে নিৰ্মিত, সঁজুলি ব্যৱহাৰৰ লগে লগে মানুহৰ কৰ্মদক্ষতা আৰু উৎপাদনশীলতা তীব্ৰ গতিত আগ বাঢ়িল।


আন এটা কথাত জুইৰ ব্যৱহাৰে মানৱ সভ্যতাক নতুন মাত্ৰা প্ৰদান কৰিলে। ❖

# কুইজৰ উত্তৰসমূহ

১) পদ্মনাথ গোহাঞিবৰুৱা। ২। নামৰূপত। ৩। Tata Institute of Social Sciences। ৪। অসম চাহ নিগম। ৫। গৰমা কুঁৱৰী। ৬। ২০০৭ চনত। ৭। তামিল। ৮। তামিলনাডুত অৱস্থিত বৃহদেশ্বৰ মন্দিৰ। ৯। Common Law Admission Test। ১০। আচাৰ্য্য বিনোৱা ভাৱে (Acharya Vinoba Bhave)। ১১। আনন্দৰাম ঢেকিয়াল ফুকনে 'এ নেটিভ' নামত। ১২। ফ্ৰেংকলিন ডিলানো ৰুজভেল্ট। ১৩। লিমা। ৰোনাল্ডো লুইজ নাজৰিঅ' ডা-লিমা। ১৪। সত্যজিৎ ৰায়। ১৫। গেব্ৰিয়েল গাৰ্চিয়া মাৰ্কেজ। ১৬। ৪টা। ১৭। জেৰেণ্টলজী। ১৮। বৰ্ণান্ধতা বা কালাৰ ব্লাইণ্ডনেছ। ১৯। শ্ৰীলংকা। ২০। Indian Institute of Science Education and Research। ❖

# শামুক, গৰু আৰু হাঙৰৰ ব্যতিক্ৰমী দাঁত

■ সুনিতা বৰুৱা



পৃথিৱীত বসবাস কৰা অতি কম সংখ্যক প্ৰাণীৰহে দাঁত আছে। কিন্তু এই সকলোবোৰ প্ৰাণীৰে দাঁতৰ গঠন একে নহয়। দাঁতৰ মুখ্য কাম হ'ল—খাদ্যবস্তু চোবোৱা। কিছুমান প্ৰাণীয়ে এই অংগবিধ মাটি খান্দিবলৈ, নিজৰ আত্মৰক্ষাৰ বাবে তথা চিকাৰ আদি কৰিবলৈ ব্যৱহাৰ কৰে। মানুহৰ ক্ষেত্ৰত দাঁত কেৱল চোবোৱা অংগয়েই নহয়। মানৱ মুখৰ বহুখিনি সৌন্দৰ্য্য এই দাঁতৰ ওপৰতেই নিৰ্ভৰ কৰে। তদুপৰি স্পষ্টভাৱে কথা ক'বলৈও মানুহক দাঁতৰ প্ৰয়োজন। এই লেখাটোত কিছুমান প্ৰাণীৰ ব্যতিক্ৰমী দাঁত সম্পৰ্কে কিছু আলোচনা কৰা হৈছে।

**শামুক** (Snail) : শামুক হৈছে তেনেই সৰু প্ৰাণী, শামুকৰ ডাঠ খোলাটোৰ ভিতৰত ইয়াৰ দেহৰ কোমল অংশ সোমাই থাকে। দেখিবলৈ সৰু হ'লেও এই প্ৰাণীবিধৰ মুখত প্ৰায় ১২,০০০ৰ পৰা ১৪,০০০টালৈ দাঁত থাকে। কিন্তু শামুকৰ মুখত থকা এই দাঁত অন্য প্ৰাণীবোৰৰ দাঁততকৈ বহুত পৃথক। শামুকৰ জিভাখন শাৰী শাৰী দাঁতেৰে ঢাক খাই থাকে। শামুকে জিভাৰে খাদ্যৰ কোমল ভাগ কুটি কুটি খায়। এনেদৰে খাদ্য খোৱা সময়ত ইহঁতৰ দাঁতবোৰ সামান্যভাৱে বেয়া হৈ যায়, সেইবাবে ইহঁতে দাঁতবোৰ নিয়মিতভাৱে সলনি কৰি থাকে।

**গৰু** (Cow) : গৰুৰ মুঠ ৩২টা দাঁত থাকে। গৰুৰ প্ৰথম স্থায়ী দাঁত ইহঁতৰ ১ৰ পৰা ২ বছৰ বয়সত গজে। গৰুৰ তিনি প্ৰকাৰৰ দাঁত থাকে—আগদাঁত, মাজৰ দাঁত, জমি দাঁত। গৰুৰ বয়সৰ অনুমান সিহঁতৰ আগদাঁতৰ পৰাই কৰিব পাৰি। গৰুৱে কোনো মানুহ বা প্ৰাণীকে কামুৰিব নোৱাৰে, কাৰণ ইহঁতৰ ওপৰৰ পাৰি দাঁত নাথাকে। যেতিয়া গৰুৱে ঘাঁহ খায়, তেতিয়া ইহঁতে তলৰ পাৰিৰ দাঁতেৰে মুখৰ ওপৰভাগত থকা ডাঠ আলুত হেঁচা প্ৰয়োগ কৰে। এনেদৰে ইহঁতে খাদ্যবস্তু চোবায়। গৰুৱে এবাৰতে আমাৰ দৰে খাদ্যবস্তু চোবাই মিহি কৰিব নোৱাৰে, সেয়েহে, গৰুৱে ঘাঁহ পাগুলি খায় অৰ্থাৎ ইহঁতে গিলি থোৱা খাদ্য বা ঘাঁহ আকৌ পেটৰ পৰা মুখলৈ আনি চোবায়। ইহঁতে এই প্ৰক্ৰিয়াটো প্ৰায় ৫০ বাৰলৈ পুনৰাবৃত্তি কৰে। এনেদৰে ইহঁতে দিনটোৰ প্ৰায় ৮ ঘণ্টা সময় খাদ্য চোবোৱাত বা খোৱাতেই কটায়।

**হাঙৰ** (Shark) : হাঙৰ হৈছে এবিধ এনেকুৱা জীৱ, যাৰ জন্ম সম্পূৰ্ণ দাঁতৰ পাৰিৰ সৈতে হয়। প্ৰত্যেক হাঙৰৰ দাঁতৰ গঠন ইহঁতে খোৱা খাদ্যৰ আধাৰত বেলেগ বেলেগ হয়। হাঙৰৰ দাঁতৰ গুৰি আমাৰ দাঁতৰ গুৰিৰ নিচিনা নহয়। ইহঁতৰ দাঁতবোৰ পাৰিত খুব দুৰ্বলভাৱে লাগি থাকে। সেয়েহে, খাদ্য খোৱাৰ সময়ত ইহঁতৰ দাঁত সহজতে সৰে। হাঙৰৰ দাঁতৰ গঠন মানুহৰ দৰে নহয়, যাৰ বাবে খাদ্য খোৱাৰ সময়ত ইয়াৰ মুখৰ পৰা খাদ্য সৰি পৰে। পৃথিৱীত থকা সকলোতকৈ ভয়ংকৰ হাঙৰবোৰক এৰি, অধিকাংশ হাঙৰৰ ৫ৰ পৰা ১৫টালৈ দাঁতৰ শাৰী থাকে। হাঙৰৰ দাঁত সৰি কেতিয়াও শেষ নহয়। এনেদৰে এটা হাঙৰৰ জীৱনকালত প্ৰায় ২০,০০০টালৈকে দাঁত গজিব পাৰে। ❖

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ (এপ্ৰিল)

১। ভল্গা। ২। ছুইজাৰলেণ্ড। ৩। কিউছিউ। ৪। মাক্ৰান। ৫। মংগোলিয়া।

# মানসিক সামৰ্থ্য বিকাশ

■ ৰবীন্দ্ৰ বৰ্মন

1. তলৰ অনুক্ৰমটোত থকা ভুল সংখ্যাটো উলিওৱা :

   1, 3, 9, 29, 81, 243

   a) 1  b) 29  c) 81  d) 243

2. অমিলটো বাছি উলিওৱা :

   a) জানুৱাৰী  b) মাৰ্চ  c) জুন  d) ডিচেম্বৰ

3. কোনো এটা সংকেতত ROSE ক 6821, CHAIR ক 73456 আৰু PREACH ক 961473 হিচাপে লিখা হয়। সেইটো সংকেতত SEARCH ক কি হিচাপে লিখা হ'ব?

   a) 246173  b) 214673  c) 276413  d) 214763

4. তলত এটা ঘনকৰ চাৰিটা অৱস্থান দেখুওৱা হৈছে। এই অৱস্থানকেইটা চাই 4 ৰ বিপৰীত পিঠিত থকা সংখ্যাটো কি হ'ব উলিওৱা :




   a) 2  b) 5  c) 6  d) 3

5. এজন মানুহে পশ্চিমৰ ফালে 10 মিটাৰ গৈ বাঁওফালে ঘূৰি 15 মিটাৰ গ'ল। আকৌ বাঁওফালে ঘূৰি 10 মিটাৰ গ'ল। এইবাৰ সোঁফালে ঘূৰি 5 মিটাৰ গৈ ৰ'ল। তেওঁ আৰম্ভণি স্থানৰ পৰা এতিয়া কোন দিশত কিমান দূৰত আছে?

   a) দক্ষিণ দিশত 20 মিটাৰ  b) পূব দিশত 20 মিটাৰ

   c) দক্ষিণ দিশত 10 মিটাৰ  d) পূব দিশত 15 মিটাৰ

6. দুজন মানুহে একে স্থানৰ পৰা পৰস্পৰ বিপৰীতমুখে যাত্ৰা কৰিলে। এজনে পূবে 80 মি. গৈ সোঁফালে ঘূৰি 50 মিটাৰ গ'ল, তাৰ পাছত আকৌ সোঁফালে ঘূৰি 110 মিটাৰ গ'ল, তাৰ পাছত আকৌ সোঁফালে ঘূৰি 50 মি. গৈ ৰ'ল। আনজন মানুহে আৰম্ভণি স্থানৰ পৰা পশ্চিমে 30 মিটাৰ গৈ ৰ'ল। শেষত মানুহ দুজনৰ মাজৰ দূৰত্ব কিমান হ'ব?

   a) 30 মিটাৰ  b) দুয়োজন একেলগ হ'ব  c) 40 মিটাৰ  d) 50 মিটাৰ

# মানসিক সামৰ্থ্য বিকাশ

7. অমিলটো বাছি উলিওৱা :

a) LHJ　b) ZVX　c) FBD　d) RMP

8. তলৰ চাৰিযোৰ সংখ্যা আছে। ইয়াৰে তিনিটা যোৰত সংখ্যা দুটাৰ মাজত একে ধৰণৰ সম্পৰ্ক আছে। অমিল যোৰটো বাছি উলিওৱা :

a) 6, 26　b) 11, 46　c) 9, 40　d) 16, 66


9. RATIONALISATION শব্দটোৰ আখৰকেইটা বৰ্ণমালাৰ ক্ৰম অনুসৰি সজালে কোনটো আখৰ একেফালে সোঁফালে পৰিব?

a) L　b) N　c) R　d) T

10. A, B ৰ পতি। C, D ৰ পত্নী। D, A ৰ জোঁৱাই। B, C ৰ কি হয়?

a) শাহু　b) আইতা　c) মা　d) পেহী

11. তলৰ বৃত্ত তিনিটাৰ T য়ে শিক্ষক, P য়ে কবি আৰু E য়ে অভিযন্তা বুজাইছে। কোনটো সংখ্যাই অভিযন্তা হয় কিন্তু কবি নহয় বুজাব?




a) 21　b) 15　c) 12　d) 10

12. তলৰ চিত্ৰ দুটাত নিৰ্দিষ্ট ঠাইত কিছুমান সংখ্যা আছে। প্ৰথম চিত্ৰটোৰ সংখ্যাসমূহৰ মাজৰ সম্পৰ্ক নিৰীক্ষণ কৰি দ্বিতীয় চিত্ৰটোৰ ‘?’ চিন থকা ঠাইত কি সংখ্যা হ’ব উলিওৱা :




a) 50　b) 45　c) 55　d) 80

| | | | | | | |
|---|---|---|---|---|---|---|
| **উত্তৰ :** | 1. b | 2. c | 3. b | 4. d | 5. a | 6. b |
| | 7. d | 8. c | 9. d | 10. c | 11. a | 12. b |

# চি ইউ ই টি পৰীক্ষা

**জোনালী দেৱী**




'একাধিক পৰীক্ষাৰ পৰিবৰ্তে এটা উমৈহতীয়া প্ৰৱেশ পৰীক্ষা', এনে এক ব্যৱস্থাই শিক্ষাৰ্থীসকলক একাধিক পৰীক্ষাৰ বাবে প্ৰস্তুতি চলোৱাৰ চাপৰ পৰা কিছু হ'লেও সকাহ দিব পাৰে, এনে ধাৰণাৰে বিশ্ববিদ্যালয় অনুদান আয়োগে (University Grants Commission, UGC) সমগ্ৰ দেশৰ মুঠ ৪৫ খন কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে এক উমৈহতীয়া প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত হ'ব বুলি ৰাষ্ট্ৰীয় শিক্ষা নীতি, ২০২০ত(National Education Policy, NEP-2020)ত উল্লেখ কৰিছে।

**চি ইউ ই টি (CUET) কি? :** কেন্দ্ৰীয় বিশ্ববিদ্যালয় প্ৰৱেশ পৰীক্ষা (Central Universities Entrance Test, CUET) দৰাচলতে কোনো নতুন শব্দ নহয়। ই ২০১০ চনৰ পৰা চলি অহা এক প্ৰৱেশ পৰীক্ষা। এই পৰীক্ষাক কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ উমৈহতীয়া প্ৰৱেশ পৰীক্ষা (Central Universities Common Entrance Test, CUCET) বুলি কোৱা হৈছিল। প্ৰথম অৱস্থাত এই পৰীক্ষা বাধ্যতামূলক নাছিল আৰু কমসংখ্যক কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ (Central Universities) বাবে এই পৰীক্ষা অনুষ্ঠিত হৈছিল। কিন্তু ২০২১ চনৰ পৰা এই পৰীক্ষা বাধ্যতামূলক পৰীক্ষা বুলি ইউজিচিয়ে ঘোষণা কৰে আৰু চলিত বৰ্ষত প্ৰায় ৪৫ খন বিশ্ববিদ্যালয়ৰ বাবে এই প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত হ'ব। ইচ্ছুক শিক্ষাৰ্থীয়ে প্ৰৱেশ পৰীক্ষাৰ মাধ্যমেৰেহে কেন্দ্ৰীয় বিশ্ববিদ্যালয় সমূহত স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ সুযোগ পাব।

২০২১ চনৰ পৰা আৰম্ভ হোৱা এই প্ৰৱেশ পৰীক্ষা প্ৰতিবছৰে জুন মাহত অনুষ্ঠিত হ'ব। ইচ্ছুক শিক্ষাৰ্থীসকলে এপ্ৰিল মাহত মুকলি হোৱা অনলাইন লিংকৰ জৰিয়তে আবেদন কৰিব পাৰিব। ২০২২ বৰ্ষৰ বাবে এই অনলাইন আবেদনৰ লিংক ইতিমধ্যে ৬ এপ্ৰিলত, এন টি এ (National Test Agency, NTA)ৰ নিজ ৱেবচাইটত মুকলি কৰি দিয়া হৈছে।

**এন টি এ কি? :** ৰাষ্ট্ৰীয় পৰীক্ষা সংস্থা (National Test Agency, NTA) হৈছে ভাৰত চৰকাৰৰ দ্বাৰা ২০১৭ চনত গঠিত এক সংস্থা। এই সংস্থাক ২০১৭ চনৰ পৰা উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠানসমূহৰ বাবে বিভিন্ন প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত কৰিবলৈ দায়িত্ব অৰ্পণ কৰা হৈছে।

চিইউইটিৰ উপৰি এই সংস্থাই জেইই, মেইনছ (Join Entrance Examination-Mains, JEE-Mains), এনইটি (National Eligibility Test NET), চিএমএটি (Common Management Admission Test, CMAT) আৰু জিপিএটি (Graduate Pharmacy Aptitude Test, GPAT) ইত্যাদি প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত কৰে।

**চিইউইটি (CUET) পৰীক্ষাৰ পাঠ্যক্ৰম :** এই প্ৰৱেশ পৰীক্ষাৰ পাঠ্যক্ৰমক প্ৰধানকৈ তিনিটা ভাগত বিভক্ত কৰা হৈছে— ভাগ-১, ভাগ-২ আৰু ভাগ-৩। এই তিনিটা ভাগৰ প্ৰথম ভাগত প্ৰধানকৈ মাতৃভাষাৰ প্ৰশ্ন অন্তৰ্ভুক্ত কৰা হয় (মুঠ ৫০ নম্বৰ), ভাগ-২ আৰু ৩ ত যি বিষয়ত শিক্ষাৰ্থী গৰাকীয়ে স্নাতক ডিগ্ৰী ল'ব বিচাৰে সেই বিষয়ৰ প্ৰশ্ন অন্তৰ্ভুক্ত থাকে (মুঠ ৫০ নম্বৰ) আৰু ভাগ-৩ত সাধাৰণ জ্ঞানৰ প্ৰশ্ন অন্তৰ্ভুক্ত কৰা হয় (মুঠ ৭৫ নম্বৰ)।

২০২২ চনৰ (চলিত বৰ্ষ) বাবে এই প্ৰৱেশ পৰীক্ষা বছৰত এবাৰ (জুন মাহ) অনুষ্ঠিত হ'ব যদিও ২০২৩ বৰ্ষৰ পৰা এই প্ৰৱেশ পৰীক্ষা বছৰত দুবাৰকৈ অনুষ্ঠিত হ'ব। ❖

# সেউজীয়া ভেঁকুৰ ধৰা নেমুটেঙাডোখৰ আৰু খমলা বন্ধা দৈ

ডা° দেৱজিত শৰ্মা

আমি বহু শতিকাৰ পৰা জানো আমাৰ চাৰিওফালে অসংখ্য অণুজীৱ পিয়াপি দি ঘূৰি ফুৰিছে। কিন্তু সাধাৰণ মানুহে বোধহয় কেতিয়াও সেই অণুজীৱবোৰ লৈ আগতে ইমান মূৰ ঘমোৱা নাছিল, যিমান আমি তাৰ চৰ্চা কৰিছোঁ ক'ভিড-১৯ৰ মহামাৰীৰ পাছত। আমি এইটোও জানো যে সকলো অণুজীৱ মানুহৰ বাবে অপকাৰী নহয়, বৰঞ্চ বহু অণুজীৱ মানুহৰ বাবে উপকাৰী। গাখীৰ জমা থৈ দৈ কৰা হয়। এই গাখীৰৰ পৰা দৈ হোৱা প্ৰক্ৰিয়াত বহু অণুজীৱৰ হাত আছে। এই অণুজীৱবোৰ আমাৰ বাবে অপকাৰী নেকি? নহয়। তেনেকৈ আমি সকলোৱে জানো পুৰণি নেমু টেঙা আমাৰ আইতাহঁতে বটলত তেল আদি দি জমা কৰি থয়, সেই নেমুত চকুত পৰাকৈ সেউজীয়া বা ক'লা ভেঁকুৰ লাগে। আমাৰ কিবা অসুখ হ'লে বিশেষকৈ পেট চলা ৰোগ হ'লে এনে নেমু খাবলৈ দিয়ে। এনে ভেঁকুৰ লগা নেমু টেঙা আমাৰ শৰীৰৰ বাবে অপকাৰী নেকি? ভালদৰে থোৱা এনে নেমু অণুজীৱৰ দ্বাৰা আক্ৰমণ হোৱাৰ পাছতো আমাৰ শৰীৰৰ বাবে অপকাৰী নহয়, বৰঞ্চ সঁচাকৈ হাগনি আদি ৰোগত কাম কৰে। কেনেকৈ?


মানুহৰ শৰীৰত বহু হাজাৰ কোটি (Many trilions ) অণুজীৱ বাস কৰে। বহু বিজ্ঞানীৰ মতে আমাৰ শৰীৰত যিমান কোষ (cell) আছে, তাৰ দহ গুণ অণুজীৱ বসতি কৰে। কোনো কোনো বিজ্ঞানীৰ মতে অণুজীৱ আৰু কোষৰ অনুপাত ১ঃ১।

আমাৰ শৰীৰত থকা এই সকলো অণুজীৱক মাইক্ৰ'বাইঅটা (microbiota) বুলি কোৱা হয়। আৰু এই সকলো অণুজীৱৰ জিন বা বংশানুক্ৰমিক চৰিত্ৰক মাইক্ৰ'বাইঅম বুলি কোৱা হয়। আমাৰ শৰীৰত বেক্টেৰিয়া, ভাইৰাছ, ভেঁকুৰ আদি আৰু বহু এককোষীয়



অণুজীৱৰেই বাস কৰে। মানুহ আৰু এই অণুজীৱবোৰৰ সহঅৱস্থানে পৰস্পৰে পৰস্পৰক সহায় কৰে। এই সকলো অণুজীৱ সাধাৰণ স্বাস্থ্য ভালে থকা অৱস্থাত আমাৰ বাবে বহু উপকাৰী। এই অণুজীৱবোৰ ইমান সৰু আৰু ইমান পাতল যে, যদিও সংখ্যাত এইবোৰ আমাৰ শৰীৰৰ সকলো কোষৰ সমান হয়, তথাপি এয়া আমাৰ শৰীৰৰ সৰ্বমুঠ ওজনৰ ২ শতাংশ মানহে হয়।

আমাৰ খাদ্যনলীৰ অণুজীৱবোৰক আন্ত্ৰিক মাইক্ৰ'বাইঅটা বুলি কোৱা হয় (Gut Microbiota) আন্ত্ৰিক মাইক্ৰ'বাইঅটা আমাৰ শৰীৰৰ কায়িক, শাৰীৰিক আৰু প্ৰতিৰক্ষাৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ। আমাৰ আন্ত্ৰিক মাইক্ৰ'বাইঅটাৰ বেছিসংখ্যক শৰীৰৰ বাবে উপকাৰী যদিও বহুসংখ্যক শৰীৰৰ বাবে অপকাৰীও হয়। এনে অপকাৰী মাইক্ৰ'বাইঅটা বহুবাৰ খাদ্যনলীৰ বাহিৰলৈ ওলাই গৈ আমাৰ শৰীৰৰ বাকী অংগত ৰোগ সৃষ্টি কৰে। যেনে—ফুড পইজনিং, পেট চলা ৰোগ, বমি আদি।





আন্ত্রিক মাইক্ৰ'বাইঅটা প্ৰতিজন মানুহৰে মৌলিক ধৰণৰ। আমাৰ অন্ত্ৰিক মাইক্ৰ'বাইঅটাই আমি শৰীৰৰ বাহিৰত থকা অণুজীৱৰ লগত কেনেকৈ যুঁজ কৰিম, বা যিকোনো ৰোগৰ বিৰুদ্ধে কেনেকৈ জয়ী হ'ম, আমাৰ খাদ্য হজম কৰা শক্তি, আমাৰ মনৰ মেজাজ আৰু আমাৰ শাৰীৰিক ৰাসায়নিক প্ৰক্ৰিয়া, সকলো নিৰ্ণয় কৰে।

আমাৰ শৰীৰৰ আন্ত্ৰিক মাইক্ৰ'বাইঅটাত প্ৰায় ৩০ লাখ জিন থাকে, অৰ্থাৎ ই আমাৰ শৰীৰৰ কোষ বোৰতকৈ ১৫০ গুণ বেছি জিনীয়ভাৱে বৈশিষ্ট্যপূৰ্ণ।

আমাৰ জন্মৰে পৰা শৰীৰৰ লগত আমাৰ শৰীৰৰ ভিতৰত থকা মাইক্ৰ'বাইঅটাবোৰৰ সহজীৱিতা আৰম্ভ হয়। সমতুল মাইক্ৰ'বাইঅটাৰ ওপৰত আমাৰ শৰীৰৰ সাধাৰণ স্বাস্থ্য যথেষ্ট নিৰ্ভৰ কৰে। সমতুল মানে আমাৰ শৰীৰৰ বাবে উপকাৰী আৰু অপকাৰী দুয়ো অণুজীৱৰ এক নিৰ্দিষ্ট বিকাশ, য'ত উপকাৰী অণুজীৱৰ সংখ্যা অপকাৰী অণুজীৱতকৈ যথেষ্ট বেছি হয়। এই সাধাৰণ মাইক্ৰ'বাইঅটা ঋণাত্মকভাৱে সলনি হ'লে আমাৰ শৰীৰত বিভিন্ন বেমাৰ সৃষ্টি হ'ব পাৰে। এণ্টিবায়'টিকৰ ব্যৱহাৰ, বিভিন্ন ধৰণৰ এলাৰ্জী বেমাৰ, চিজাৰিয়ান অপাৰেছন ডেলিভাৰী, জন্মৰ আগতে মাতৃৰ এণ্টিবায়'টিকৰ ব্যৱহাৰ, বেছি শকত মানুহ আৰু ঘনে ঘনে সংক্ৰমণ ৰোগ হৈ থকা মানুহৰ শৰীৰত মাইক্ৰ'বাইঅটাৰ ঋণাত্মক বিকাশ ঘটে, মানে শৰীৰৰ বাবে অপকাৰী অণুজীৱ আমাৰ শৰীৰত বা খাদ্যনলীত বেছিকৈ বৃদ্ধি হয়, আৰু উপকাৰী অণুজীৱৰ পৰিমাণ কম হৈ যায়।

শৰীৰৰ মাইক্ৰ'বাইঅটাৰ এনে অসমতুল বিকাশৰ ফলত হাঁপানী ৰোগ, অটিজম, মধুমেহ ৰোগ, এলাৰ্জীক ৰাইনাইটিছ, কৰ্কট ৰোগ, চিলিয়াক দিজিজ, একজিমা আদি বিভিন্ন ৰোগৰ সৃষ্টি হ'ব পাৰে।

শৰীৰত অসমতুল মাইক্ৰ'বাইঅটাৰ সৃষ্টি হ'লে, তাক পুনৰ সুষম কৰিবৰ বাবে আজিকালি বাহিৰৰ পৰা কিছুমান শৰীৰৰ বাবে উপকাৰী অণুজীৱ খাবলৈ দিয়া হয়। ইয়াক প্ৰ'বায়টিক কোৱা হয়। এনে প্ৰ'বায়'টিক আজিকালি বিভিন্ন ৰোগৰ চিকিৎসাত চেষ্টা কৰি চোৱা হৈছে। অৱশ্যে এনে চিকিৎসাৰ সফলতা সম্পূৰ্ণৰূপে বৈজ্ঞানিকভাৱে প্ৰমাণিত হোৱা নাই যদিও, এনে ধৰণৰ বহু গৱেষণা হৈ আছে। এই শৰীৰৰ মাইক্ৰ'বাইঅটাৰ সম্পূৰ্ণ ৰহস্য ভেদ কৰিব পাৰিলে হয়তো আমি বহু বেমাৰৰ কাৰণ নিৰ্ণয় কৰি তাৰ সঠিক চিকিৎসা সহজে কৰিব পাৰিম।

আইতাহঁতে আমাক পেট চলা ৰোগ হ'লে খাব দিয়া সেউজীয়া, ক'লা পৰা পুৰণি শুকান নেমুডোখৰ বা আমি সদায় খোৱা দৈখিনি আচলতে এনে প্ৰ'বায়'টিক। অৱশ্যে নজনাকে যিকোনো ভেঁকুৰে ধৰা খাদ্য বা নেমু খাব নালাগে। সকলো ভেঁকুৰ আমাৰ শৰীৰৰ বাবে উপকাৰী নহয়। ❖



গৰুৰ দাঁত



হাঙৰৰ দাঁত



শামুকৰ দাঁত



টেডী বিয়েৰ



থিয়'ডৰ ৰুজভেল্ট


# শিক্ষাৰ্থীয়ে আঁকা ছবি আৰু তোলা আলোকচিত্ৰ



মৈত্ৰেয় আহোম, চতুৰ্থ শ্ৰেণী



অংকুৰণ কৌশিক শৰ্মা, অষ্টম শ্ৰেণী



সুদীপ্ত কলিতা, অষ্টম শ্ৰেণী



গাৰ্গী তালুকদাৰ, ষষ্ঠ শ্ৰেণী



ঋষভ খনিকৰ, দশম শ্ৰেণী



শ্ৰুতি কলিতা, নৱম শ্ৰেণী